শ্ৰীশ্ৰী কৃষ্ণায় নমোনমঃ

ভক্তিতত্ব কাব্য

# নিমি–নৱসিদ্ধ–সংবাদ

# NIMI-NAVASIDDHA-SAMBAD

A Devotional Poetic work of

Śrimanta Śankaradeva


Uploaded by

The Literature Branch of

Srimanta Sankaradeva Sangha

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ**

**সাহিত্য শাখা সমিতিৰ দ্বাৰা উপলব্ধ**

# ।।শ্ৰীকৃষ্ণায় নমোনমঃ।।

**।।পদ।।**

**।।মঙ্গলাচৰণ।।**

জয় জয় কৃষ্ণ কৃপাময় মহেশ্বৰ।
যাৰ আজ্ঞা পালে প্ৰজাপতি হৰি হৰ।।
কোটি কোটি ব্ৰহ্মাণ্ড স্ৰজন্ত যাৰ মায়া।
জয় সনাতন নিত্য নিৰঞ্জন কায়া।।১।।
নমো মধুৰিপু ৰাম মোৰ মহাগুৰু।
অন্তকৰো অন্তক ভকত কল্পতৰু।।
আতি পাতকীও তৰে যাহাক স্মৰণে।
কৰো নমস্কাৰ কোটি কৃষ্ণৰ চৰণে।।২।।
প্ৰভু পদ পঙ্কজক ধৰি হৃদয়ত।
যেন মতে বুজো টীকা ভাষ্যৰ সন্মত।।
কৃষ্ণৰ আদেশে আমি হ্ৰস্ব দীৰ্ঘ ছন্দে।
বিৰচিবো নৱসিদ্ধ কথাক প্ৰবন্ধে।।৩।।

**।। নাৰদ-বসুদেৱ সংবাদ।।**

বৈকুণ্ঠৰ শাস্ত্ৰ ইটো মহা ভাগৱত।
পাইলা পৰীক্ষিতে শুকমুনিৰ মুখত।।
সাত দিন শুনি সুখে তড়িলা নৃপতি।
ঘোৰ কলিযুগে আত পৰে নাই গতি।।৪।।
শুক নিগদতি শুনিয়োক পৰীক্ষিত।
বসুদেৱ নাৰদ সংবাদ বিপৰীত।।
নিমি নৱসিদ্ধে যেন ভৈলা উপাখ্যান।
কহোঁ সাৱশেষ ৰাজা হুয়ো সাৱধান।৫।।
বাৰে বাৰে নাৰদক পঠান্ত মাধৱে।
নেৰন্ত দ্বাৰকা ঋষি কৃষ্ণক গৌৰৱে।।
জীৱন্তে মুকুত তেহোঁ জানিবা সাক্ষাত।
তথাপি উৎসুক আতি কৃষ্ণৰ সেৱাত।।৬।।
মুকুতি সুখতো কৰি ভকতিসি বড়।
নভজে কৃষ্ণক লোক কিনো কৰ্ম্মজড়।।
বাক্য কৰ্ণ্ণ মন মুখ আছে মানে যাৰ।
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।।৭।।
কৃষ্ণ পদ পঙ্কজক ভজে ব্ৰহ্মা হৰে।
নৰতনু পায়া ত্যজে কমন পামৰে।।
একো স্থানে মনুষ্য মৃত্যুৰ নেড়াই হাত।
তথাপি নভজি মৰে কৰি আত্মঘাত।।৮।।
কৃষ্ণ সেৱাতেসে মাত্ৰ গুচৈ মৃত্যুভয়।
জানিয়া কৃষ্ণক ভজা কৰিয়া নিশ্চয়।।
দিনেক নাৰদ গৈলা বসুদেৱ ঘৰে।
দেখি বসুদেৱে তাঙ্ক পূজিলা সাদৰে।।৯।।
কৰিলা প্ৰণাম পাছে আসনে বৈসাই।
বুলিলা বিনয় বাক্য নাৰদক চাই।।
পিতৃ-মাতৃ আসিলে পুত্ৰৰ যেন সুখ।
সন্ত আগমনত দুখীৰ গুচৈ দুখ।।১০।।
সেহিমতে ভগৱন্ত তযু আগমনে।
সমস্তৰে কুশল হোৱয় তাৱৈক্ষণে।।
দেৱতাতো কৰি শ্ৰেষ্ঠ হোন্ত সাধুজন।
সাধু হন্তে সৰ্ব্বসুখ হোৱৈ অনুক্ষণ।।১১।।
আছে সুখ দুখ দুই দেৱক পূজনে।
কেৱলে সুখক মাত্ৰ সাধে সাধুজনে।।
পূজা অনুৰূপেসে দেৱতা দেই ফল।
কৰন্ত কৰুণা মাত্ৰ ভকত সকল।।১২।।
পূজা অনুৰূপেসে দেৱতা দেই ফল।
সাধুসৱ স্বভাৱতে দুঃখিত বৎসল।।
তোহ্মাৰ সদৃশ যাৰ শ্ৰীকৃষ্ণত মন।
তাসম্বাৰ এহি মত হোৱৈ আচৰণ।।
ভৈলোহো কৃতাৰ্থ যদি ঋষি মহাশয়।
তথাপিতো পুছো ভাগৱত ধৰ্ম্মচয়।।১৩।।
পৰম শ্ৰদ্ধায়ে যাক শুনিলে মাত্ৰকে।
দুৰ্ঘোৰ সংসাৰ দুখ তৰে সৰ্ব্বলোকে।।
দেৱৰ মায়ায়ে মোৰ মোহ ভৈল মন।
পুত্ৰকামে কৃষ্ণক কৰিলো আৰাধন।।১৪।।
যদ্যপি মুকুতি দেন্ত মুকুন্দে সদায়।
তাঙ্কো নবাঞ্ছিলো পূৰ্ব্বে পুত্ৰক আশায়।।
যেনমতে তৰো আৱে সংসাৰৰ ক্লেশ।
মহামুনি দিয়ো মোক সেহি উপদেশ।।১৫।।
তুষিলা কৃষ্ণক তুমি যিমত ভকতি।
আহ্মাক শিখায়ো তাক সমস্তে সম্প্ৰতি।।
যেৱে বসুদেৱে হেন পুছিলা হৰিষি।
হৰি স্মৰি আতি প্ৰীতি ভৈলা দেৱঋষি।।১৬।।
পুলকিত তনু মনে মিলিল আহ্লাদ।
পাছে বসুদেৱক কৰিলা সাধুবাদ।।
নাৰদ বদতি বসুদেৱ মহাশয়।
ধন ধন্য সাধু বুদ্ধি কৰিলা নিশ্চয়।।১৭।।
পুছিলা পৰম ভাগৱত ধৰ্ম্ম যত।
যাহাক স্মৰণে হোৱে পৱিত্ৰ জগত।।
শুনে বা ভণে বা স্মৰে নতুবা আদৰে।
আনে বা গাৱন্তে যিবা অভিনন্দা কৰে।।১৮।।
দেৱ বিশ্বদ্ৰোহীকো পৱিত্ৰ কৰে আতি।
হেন ধৰ্ম্ম শুনিবে তোহ্মাৰ ভৈলা মতি।।
শ্ৰৱণ কীৰ্ত্তনে যাৰ সিজৈ পুণ্যগণ।
সুমৰাইলা মোক আজি হেন নাৰায়ণ।।১৯।।
কিনো উপকাৰ কৰিলাহা মহাশয়।
জানিলো ভৈলেক মোৰ মহা ভাগ্যোদয়।।
যিটো কথা মোহোত পুছিলা মহামতি।
আৰ ইতিহাস এক শুনিয়ো সম্প্ৰতি।।২০।।
নৱসিদ্ধ সমে নিমি ৰাজাৰ সংবাদ।
শ্ৰৱণ মাত্ৰকে মনে মিলিবে আহ্লাদ।।
শুনা সেহি কথা তুমি স্থিৰ কৰি মন।
ভাগৱত ধৰ্ম্মৰ আছয় নিৰূপণ।।২১।।

স্বায়ম্ভূৱ সুত প্ৰিয়ব্ৰত মহাশয়।
আছিলা অগ্নিধ্ৰ নামে তাহান তনয়।।
অগ্নিধ্ৰৰ পুত্ৰ ভৈলা নাভি নৰপতি।
নাভিৰ তনয় ভৈলা ঋষভ সুমতি।।২২।।
বসুদেৱ অংশে আসি ভৈলা অৱতাৰ।
কৰিলা লোকত মোক্ষ ধৰ্ম্মক প্ৰচাৰ।।
তান্ত হন্তে উপজিলা পুত্ৰ এক শত।
শ্ৰেষ্ঠ ভৈলা ভৰত পৰম ভাগৱত।।২৩।।
যাৰ নামে খ্যাত ভৈলা ভাৰতবৰিষ।
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ।।
তৰুণ কালতে মাধৱক মনে ধৰি।
তপোবনে এক মনে আৰাধিলা হৰি।।২৪।।
তিনিজন্মে পাইলা তেহোঁ ভগৱন্ত গতি।
আৰু নৱ জন ভৈলা নৱ বৰ্ষপতি।।
একাধিক আশী জন ভৈলা দ্বিজপ্ৰায়।
থাকিল লোকত কৰ্ম্মকাণ্ড প্ৰৱৰ্তায়।।২৫।।
ভৈলা মহাসিদ্ধ তত্বজ্ঞানী নৱজন।
ঈশ্বৰ কৃষ্ণক মাত্ৰ কৰে নিৰূপণ।।
সৱে দিগম্বৰ আত্ম-বিদ্যা বিশাৰদ।
তাসম্বাৰ নাম শুনা হুয়া নিশবদ।।২৬।।
কবি হৰি অন্তৰীক্ষ চতুৰ্থ প্ৰবুদ্ধ।
অপৰ পিপ্পলায়ণ আৱিৰ্হোত্ৰ শুদ্ধ।।
দ্ৰুমিল চমস কৰভাজন নৱম।
এহি নৱসিদ্ধ হৰিভকত পৰম।।২৭।।
ইটো স্থূল সূক্ষ্ম ৰূপ বিশ্ব চৰাচৰ।
সৱে নাৰায়ণময় দেখে নিৰন্তৰ।।
কিন্তু আপোনাত হন্তে নোহে ব্যতিৰেক।
দেখিয়া ভ্ৰমন্ত সৱে জগত যতেক।।২৮।।
সুৰ সিদ্ধ সাধ্য যক্ষ গন্ধৰ্ব্ব কিন্নৰ।
নৰ নাগ শঙ্কৰ চাৰণ বিদ্যাধৰ।।
সৰ্ব্বদা ভ্ৰমিয়া ফুৰে তাসম্বাৰ পুৰে।
গমন কৰন্ত নিত্য গোলোক নগৰে।।২৯।।
কাহাতো কিঞ্চিত মনে নাহি আশকতি।
আকাশে সঞ্চৰে সৱে অবাধিত গতি।।
ঋষিগণ সমে নিমি ৰাজা মহাশয়।
কৰে মহা যজ্ঞ আতি আনন্দ হৃদয়।।৩০।।
ভৈলা নৱসিদ্ধ সেহি সভাত প্ৰৱেশ।
সূৰ্য সম জ্বলে দেহা দিগম্বৰ বেশ।।
মহা ভাগৱত সৱে অকস্মাতে আইলা।
দেখিয়া সভাৰ লোক বিস্ময়ক পাইলা।।৩১।।
তাসম্বাক দেখি আতি সচকিত মতি।
গুৰু পুৰোহিত সমে উঠিলা নৃপতি।।
মূৰ্তি ধৰি অগনি কুণ্ডৰ ভৈলা বাজ।
সাদৰিলা সিদ্ধ সমস্তক সামৰাজ।।৩২।।
আচাৰ্য্য ঋত্বিজ সমে যজ্ঞ কাৰ্য এৰি।
কৰিলা শুশ্ৰূষা সিদ্ধ সমস্তকে বেঢ়ি।।
সাধু সঙ্গে সৱাৰো নিৰ্মল ভৈলা মতি।
সঘনে উপজে কৃষ্ণ চৰণত ৰতি।।৩৩।।
বিনা অলঙ্কাৰে কৰে শৰীৰ দীপিতি।
তাসম্বাক দেখিয়া নিমিৰ মহাপ্ৰীতি।।
কৰিলা আসনে বৈসাই চৰণত পূজা।
প্ৰণামি বিনাৱৈ কৃতাঞ্জলি কৰি ৰাজা।।৩৪।।
পৰম ভকত তাসম্বাক জানি মনে।
আসনে বৈসায়া ৰঙ্গে পূজিলা চৰণে।।
শৰীৰৰ কান্তিয়ে প্ৰকাশে সভাখান।
সাক্ষাতে দেখিয়া যেন ব্ৰহ্মাৰ নন্দন।।৩৫।।
তাসম্বাক দেখি ৰাজা প্ৰীতিক লভিলা।
অৱনতে নিজ অভিমতক পুছিলা।।
জানিলো তোমৰা পাৰিষদ গোৱিন্দৰ।
পৱিত্ৰ কৰিয়া ফুৰা লোক নিৰন্তৰ।।৩৬।।
ভৈলোহোঁ কৃতাৰ্থ পদৰেণু পায়া আমি।
জানিলো আজিসে মোত তুষ্ট কৃষ্ণস্বামী।।
যদি নৰতনু ইটো ক্ষণিক অথিৰ।
তথাপি দুৰ্ল্লভ মানো মনুষ্য শৰীৰ।।৩৭।।
তাহাতো দুৰ্ল্লভ মানো ভকতৰ সঙ্গ।
লভিলো দুৰ্ল্লভ লাভ কিনো ভৈল ৰঙ্গ।।
সৱাৰো পাৱত পৰি পুছো প্ৰণিপাতে।
কোন আত্যন্তিক সুখ কহিয়ো আম্মাতে।।৩৮।।
অসাৰ সংসাৰ আত কিছু নাহি সিদ্ধি।
ভকতৰ সঙ্গ অনুক্ষণে নৱনিধি।।
কোনবা ৰহস্য ধৰ্ম কহিয়োক তাক।
যাত তুষ্ট হৈয়া কৃষ্ণে দেন্ত আপুনাক।।৩৯।।
তাক জানিবাক যদি যোগ্য হওঁ আমি।
তেৱে কহিয়োক বোলো সৱাকো প্ৰণামি।।
কোন ভাগৱত ধৰ্ম্ম ভক্তি বুলি কাক।
কোন মায়া কোনবা উপায়ে তৰি তাক।।৪০।।
কাক বুলি ব্ৰহ্ম কৰ্মযোগ কাৰ নাম।
অৱতৰি কেশৱে কৰন্ত কোন কাম।।
কোন যুগধৰ্ম্ম অভক্তৰ কোন গতি।
এহি নৱগোটা প্ৰশ্ন পুছিলা নৃপতি।।৪১।।
নৱসিদ্ধে সিদ্ধান্ত দিলন্ত অনুক্ৰমে।
আত্যন্তিক সুখ কবি কহিলা প্ৰথমে।।
নাৰদ বদতি শুনা বসুদেৱ সন্ত।
এহিমতে নিমি যেৱে প্ৰশ্ন কৰিলন্ত।।৪২।।
শুনি সিদ্ধসৱে মহা প্ৰীতিক লভিলা।
ঋত্বিজ সদস্য নৃপতিক প্ৰশংসিলা।।
প্ৰথমতে কবিসিদ্ধে দিলন্ত উত্তৰ।
শুনা মহাৰাজ কহোঁ কথা সাৰতৰ।।৪৩।।
যিটো শুনা ৰাজা মহা মোহে অন্ধপ্ৰায়।
পুত্ৰ দাৰা দেহতেসে আকুল সদায়।।
সিসবৰ একো কালে নুগুচয় ভয়।
যাৱে কৃষ্ণ পদাম্বুজে সেৱা নকৰয়।।৪৪।।
কৃষ্ণপদ সেৱাতেসে হৰে ভৱ দুখ।
তাহাকে বোলয় ৰাজা আত্যন্তিক সুখ।।

**।।ভাগৱত ধৰ্ম কথন।।**

কহোঁ আৰো ভাগৱত ধৰ্ম্মৰ লক্ষণ।
বিমৰিষি পূৰ্ব্বত আপুনি নাৰায়ণ।।৪৫।।
ঋষিমুখে আন ধৰ্ম্ম কৰায়া বেকত।
কহিলা আপোন মুখে নিজ ধৰ্ম্ম যত।।
যাক জানি মহা মূঢ়ো জানা সুখে তৰে।
অজাতি পাতকী যাক জানিলা নিস্তৰে।।৪৬।।

পৰম ভকতে যাক নিতে কৰে ৰতি।
সেহি ভাগৱত ধৰ্ম্ম জানিবা নৃপতি।।
কৰৈ যিটো ভাগৱত ধৰ্ম্মক আশ্ৰয়।
কদাচিতো তাৰ আৰ নাহিকয় ভয়।।৪৭।।
কৰ্ম্ম নকৰিলিতো সমস্তে পুণ্য ফল।
উপজৈ আপুনি দেখা ভকতিৰ বল।।
আন ধৰ্ম্মে মন্ত্ৰ তন্ত্ৰ ছিদ্ৰ বহু হয়।
ভাগৱত ধৰ্ম্মে নাহি সিসৱ সংশয়।।৪৮।।
শুনিয়োক ভাগৱত ধৰ্ম্ম আছে যত।
কৰিবো বেকত আজি তোম্হাৰ আগত।।
শুনা সভাসদ পদ কৰিয়া প্ৰৱন্ধ।
নৱসিদ্ধ কথা ইটো একাদশ স্কন্ধ।।৪৯।।
ঘোৰ কলিযুগে ইসে তৰণ উপায়।
নাহি গতি কৃষ্ণকথা শ্ৰৱণ বিনায়।।
কৈত পৰৈ নৰতনু তাৰো নাহি থিতি।
যদ্যপি নুপজে যম যাতনাৰ ভীতি।।৫০।।
যায় আজি কালি কৰি আয়ু নিৰন্তৰে।
কৃষ্ণৰ চৰণে লৈয়ো শৰণ সত্বৰে।।
আছন্ত ঈশ্বৰ কৃষ্ণ হৃদয় কমলে।
নজানে পামৰ সৱে বিষয় বিকলে।।৫১।।
পৰম সুহৃদ নিজ আত্মা মহা হৰি।
আধোগতি যায় লোক তাঙ্ক অনাদৰি।।
হেন জানি হুয়ো ঝাণ্টে কৃষ্ণক সম্মুখ।
পাসৰা কিমতে যম যাতনাৰ দুখ।।৫২।।
কলিৰ পাতকে আছে চতুৰ্ৰ্ভিতি বেঢ়ি।
ৰাম ৰাম বুলিয়ো পলাওক পাপে এড়ি।।

## ।।কবিসিদ্ধৰ বেদান্ত তত্ব ব্যাখ্যা।।

### ।।দুলড়ী।।

কবি নিগদতি শুনিয়ো সম্প্ৰতি
কহোঁ বেদান্তৰ তত্ব।
স্বভাৱে যি কৰে দান হোম মহা
তপ জপ তীৰ্থ ব্ৰত।।
কায় বাক্য মনে যতেক আচৰৈ
লৌকিক বৈদিক কৰ্ম্ম।
হুয়া একমত ঈশ্বৰ কৃষ্ণত
অৰ্পিব সিসৱ ধৰ্ম্ম।।৫৩।।
নিত্য নৈমিত্তিক যত জাতিধৰ্ম্ম
আশ্ৰমৰ যত কৰ্ম্ম।
কৃষ্ণত অৰ্পিলে জানা সেহি হোৱে
মহাভাগৱত ধৰ্ম্ম।।
গৰ্ব্ব অহঙ্কাৰ ত্যজি যিটো জনে
আচৰে কৰ্ম্ম ভকতি।
তাতে মহাতুষ্ট হুয়া কৃষ্ণে দেন্ত
বৈকুন্ঠ যত সম্পত্তি।।৫৪।।
যদি বোলা ৰাজা অজ্ঞানীৰ ভয়
জ্ঞানেসে কৰৈ অন্তৰ।
কি কৰৈ ভকতি হেন শঙ্কামতি
ত্যজিয়া শুনা উত্তৰ।।
ঈশ্বৰ বিমুখ হোৱে যিটো নৰ
ধৰে বিষ্ণুমায়া তাক।
এহি দেহ মঞিঁ বোলে অজ্ঞানত
পাসৰে নিজ আত্মাক।।৫৫।।
হোৱে জ্ঞানশূন্য কোন পাপ পুণ্য
কৰিতে নপাৰে সাৰ।
বিষয় ব্যাকুল সম্যকে বাতুল
নুগুচে যাতনা তাৰ।।
যাহাৰ মায়াত এতেক অনৰ্থ
ভজোক হেন মুৰাৰি।
এক চিত্ত হুয়া কৃষ্ণত কৰিব
ভকতি অব্যভিচাৰী।।৫৬।।
যাত বুদ্ধি আছে একোৱে নবাঞ্ছে
এক কৃষ্ণ মাত্ৰ জানে।
উপদেশ দাতা যিটো গুৰু থাকে
তাঙ্কে হৰি বুলি মানে।।
সিটো ভকতক মায়া এৰি আসে
প্ৰমাণ পাৱে মনত।
ছাৱে আন কাম নেৰেঁ গুণনাম
উপজৈ ৰতি কৃষ্ণত।।৫৭।।
হেনবা বুলিবা বিষয়ী লোকৰ
আছে দম্ভ অহঙ্কাৰ।
সিসৱৰ কেনে হৈবেক কৃষ্ণত
ভকতি অব্যভিচাৰ।।
সিসৱৰ কেনে হৈবেক কৃষ্ণত
ভকতি অব্যভিচাৰ।।
নেৰাই মৃত্যুভয় হেনবা সংশয়
কৰিবা তুমি নৃপতি।
শুনিয়ো মহন্ত ইহাৰ সিদ্ধান্ত
তোম্হাত কহোঁ সম্প্ৰতি।।৫৮।।
যতেক বিষয় সৱে মায়াময়
মনেসে কৰে প্ৰকাশ।
পুত্ৰ দাৰা ধন সবেয়ো সপোন
ক্ষণেক হোৱে বিনাশ।।
হেন জানি যিটো মনক নিয়মি
কৃষ্ণত ভকতি কৰে।
সেহি মহাশয় এড়াই মৃত্যু ভয়
সুখে সংসাৰক তড়ে।।৫৯।।
পাচে নৃপবৰ পৰম দুষ্কৰ
শুনিলো কৰ্ম্ম ভকতি।
যোগীৰো বিষম মনক নিয়ম
কৰিবে কাৰ শকতি।।
মাথা চপৰাই গুণে নিমিৰায়
নপাইলো সংসাৰ পাৰ।
হাসি কবি সিদ্ধে বোলন্ত নৃপতি
চিন্তা কৰা পৰিহাৰ।।৬০।।
কৃষ্ণত নিশ্চয় কৰিয়ো হৃদয়
যেৱে বাক্য শুনা মোৰ।
সুদৃঢ় বিশ্বাসে আতি অপ্ৰয়াসে
তৰিবা সংসাৰ ঘোৰ।।
ভকতি সুলভ দেৱৰো দুৰ্ল্লভ

যোগীয়ো নাজানে যাক।
সুগম ভকতি পথ যিটো আতি
বেকত কৰিবো তাক।।৬১।।

**।।ছবি।।**

অনাদৰি আন ধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
শুনিয়োক মহন্তৰ মুখে।
জগত প্ৰসিদ্ধ নাম কৃষ্ণ বিষ্ণু হৰি ৰাম
লাজ এৰি গাইবে মহা সুখে।।
লভিয়া মনুষ্য দেহা আনত এড়িয়া স্পৃহা
বোলে বন্ধু কৃষ্ণক যি জনে।
এতেকে বান্ধৱ হৰি তাঙ্ক মোৰ বুলি ধৰি
ৰক্ষা কৰি ফুৰা সৰ্ব্বক্ষণে।।৬২।।
এহিমতে যিটো নৰে নামক সদায়ে স্মৰে
তাৰ আসি মিলে মহাভাগ।
নিজ প্ৰিয়তম ৰাম সুমৰন্তে তান নাম
উপজৈ পৰম অনুৰাগ।।
সৰ্ব্ব অঙ্গ পুলকিত হোৱে দ্ৰৱ আতি চিত্ত
ধাৰে নীৰ নেত্ৰৰ নিগৰে।
প্ৰেমে মৰ্ম্ম যায় চড়ি হা প্ৰাণ কৃষ্ণ বুলি
পৃথিৱীত পড়িয়া বাগৰে।।৬৩।.
কতো থাকে মৌন ধৰি ভকতৰ বশ্য হৰি
জানি হেন মনত আকলি।
বুজিয়া কৃষ্ণৰ চিত্ত হুয়া আতি কৃতকৃত্য
কতো হাসি তোলে খলখলি।।
কতো প্ৰেমৰসে ভুলি মোৰ প্ৰাণকৃষ্ণ বুলি
পৰম আনন্দে গলে বান্ধে।
এত কাল ব্যৰ্থে নিলো মাধৱক নজানিলো
কতো শোকে গেৰি পাৰি কান্দে।।৬৪।।
কতো উঠি তাৱৈক্ষণে পৰম উৎসুক মনে
কৃষ্ণ কৃষ্ণ বুলি পাৰে গেৰি।
কৃপা কৰা হে হৰি বোলো চৰণত ধৰি
বন্ধু আৰ জোনো যাহা এড়ি।।
হৰিষে আকুল ভাৱ কতোহো শিহড়ে গাৱ
গাৱে গোৱিন্দৰ গুণ গীত।
কতো ফুৰৈ ঝুমি ঝুমি কৈত যাইবা কৃষ্ণ তুমি
পাইলো পাইলো বুলি কৰে নৃত্য।।৬৫।।
কৃষ্ণগ্ৰাহে যেন ধৰে সংসাৰক নুসুমৰে
নথাকে চেতন শৰীৰত।
চিত্তে নেৰে চক্ৰপাণি বোলৈ আলৌকিক বাণী
হৰি ৰসে হুয়া মহা মত্ত।।
বৈষ্ণৱ বোলোক মোক কপটী দাম্ভিক লোক
হেন ভাৱ দেখায়া লোকত।
নুহিকে তাহাৰ মত যিটো মহাভাগৱত
তাঙ্ক পাইলে তড়ে ত্ৰিজগত।।৬৬।।
হোৱে সিয়ো কৃষ্ণ প্ৰাণ মিলে তাত মহাজ্ঞান
সমস্ততে দেখে গোৱিন্দক।
আকাশ পৃথিৱী জল জ্যোতি বায়ু ৰসাতল
নদী নদ চৌদিশ চটক।।
যত লতা তৰু তৃণ কাহাকো নেদেখৈ ভিন্ন
হৰিৰ শৰীৰ বুলি মানে।
সৱাকো প্ৰণামৈ মনে নাম স্মৰৈ অনুক্ষণে
কৃষ্ণ বিনে আনক নজানে।।৬৭।।
শুনা সভাসদ লোক কলিত সদগতি হোক
কৃষ্ণৰ কথাত দিয়া চিত্ত।।
পৰম অমৃত ৰস মাধৱৰ নাম যশ
জানা ইসে পৰলোক বিত্ত।।
পুত্ৰ দাৰা গৃহ বাস মিছা আত অভিলাষ
সৱে সপোনৰ নিধি প্ৰায়।
যত সাঞ্চা ধন ধান যাইবে যেতিক্ষণে প্ৰাণ
সঙ্গে এক ৰতিয়ো নাযায়।।৬৮।।
শৰীৰো থাকিবে পৰি একলেসে যাইবা লড়ি
বিষম যাতনা যম ঘৰে।
গুণি চাৱা স্থিৰ মতি কৃষ্ণ বিনে নাহি গতি
লৈয়ো তান্ত শৰণ সত্বৰে।।
যাৰ নাম শুনি ডড়ি কাম্পে মৃত্যু থৰথৰি
সুখে দুখে ধৰা তান নাম।
অদ্যাপি নুগুণা মনে কৃষ্ণৰ কিঙ্কৰে ভণে
নিৰন্তৰে বোলা ৰাম ৰাম।।৬৯।।

**।।পদ।।**

কবি নিগদতি শুনা নিমি মহাশয়।
হেনবা কৰিবা ৰাজা মনত সংশয়।।
যিটো মহা যোগী সদা সমাধিত ৰতি।
কোটি জন্মে নুহি তাৰ সপ্ৰেম ভকতি।।৭০।।
মোক্ষতো অধিক তাক কহে বেদগণে।
একে জন্মে হৈব কেনে নামৰ কীৰ্ত্তনে।।
ইটো শঙ্কা মনত নানিবা কদাচিত।
শুনিয়োক নামৰ মহিমা বিপৰীত।।৭১।।
ইটো হৰিনাম ধৰ্ম্ম মহা গুহ্যতম।
ইহাত বিশ্বাস যাৰ সেহি নৰোত্তম।।
ভজে মাধৱক নাম স্মৰে সৰ্ব্বক্ষণ।
একেবাৰে সিজে তাৰ তিনি প্ৰয়োজন।।৭২।।
প্ৰথমে উপজে প্ৰেম লক্ষণা ভকতি।
গৃহ শৰীৰতো পাছে মিলে বিৰকতি।।
প্ৰেমৰ আস্পাদ কৃষ্ণ মূৰ্ত্তি স্ফুৰ্ত্তি হয়।
একেকালে মিলে আসি সম্পদ ত্ৰিতয়।।৭৩।।
আতিশয় ক্ষুধাত ভূঞ্জন্তে যেনমতে।
সিজে তিনি প্ৰয়োজন প্ৰত্যেক গ্ৰাসতে।।
হোৱে তুষ্ট দেহ পুষ্ট ক্ষুধা গুচি যায়।
প্ৰেম ভকতিৰ ৰাজা শুনা অভিপ্ৰায়।।৭৪।।
অল্প ভকতিত হোৱে প্ৰেম আতি পুষ্ট।
কিঞ্চিত ভোজনে যেন কিছুমান তুষ্ট।।
উপজে পৰম প্ৰেম একান্ত ভজনে।
মিলে মহা তুষ্ট যেন প্ৰচুৰ ভোজনে।।৭৫।।
প্ৰেম ভাৱে এহিমতে একান্তে ভজন্তে।
পৰম প্ৰসাদ পাৱে মাধৱত হন্তে।।
বিৰকতি ভকতি ঈশ্বৰ মহাজ্ঞান।
উপজৈ ভকতে পাৱে আপুনি প্ৰমাণ।।৭৬।।
হোৱৈ চিত্ত শান্ত গুচে বিষয় ব্যাকুল।
কদাচিতো নেৰৈ আৰ কৃষ্ণ পদ মূল।।
বেদ শিৰোৰত্ন কহে ইহাক সম্প্ৰতি।
কৈলো ভাগৱত ধৰ্ম তোহ্মাত নৃপতি।।৭৭।।
হেন শুনি নিমি দুনাই দিলন্ত উত্তৰ।
কহিয়ো লক্ষণ আৱে মহা ভকতৰ।।
ভকতৰ কোন কৰ্ম্ম কিবা প্ৰৱৰ্ত্তন।

কোনবা স্বভাৱে ভক্তে কি বোলে বচন।।৭৮।।
জানিবাক চাওঁ চিহ্ন মহা ভকতৰ।
শুনি হবিসিদ্ধে দিলা তাহাৰ উত্তৰ।।
হৰিক মনত স্মৰি বোলন্ত ৰাজাক।
ভকতৰ যিবা ধৰ্ম্ম শুনা কহোঁ তাক।।৭৯।।
ঈশ্বৰত দেখে যিটো সমস্তে প্ৰাণীক।
প্ৰাণী সমস্ততো দেখে ঈশ্বৰ মূৰ্ত্তিক।।
সমস্তে ঐশ্বৰ্য ব্যাপি আছে জগতত।
হেন যিটো দেখে সিটো মহাভাগৱত।।৮০।।
একান্তে কৰয় প্ৰেম যিটো ঈশ্বৰত।
মিত্ৰতা আচৰে হৰি ভকত সৱত।।
অজ্ঞক কৰুণা ক্ষমা কৰে বিপক্ষত।
সেহি জন জানিবা মধ্যম ভাগৱত।।৮১।।
নুপূজে ভক্তক মান্য নকৰে প্ৰাণীক।
একে প্ৰতিমাত মাত্ৰ আৰাধে হৰিক।।
সেহি জন জানিবাহা প্ৰাকৃত ভকত।
আৰূঢ় হৈয়াছে তেহোঁ ভক্তিৰ পথত।।৮২।।
অনুক্ৰমে উত্তম হৈবেক সিয়ো জন।
একোমতে নোহে জানা নিন্দাৰ ভাজন।।
ত্ৰিবিধ ভকত এহি কহিলো নৃপতি।
তাসম্বাৰ চিহ্ন আৰো শুনিও সম্প্ৰতি।।৮৩।।
শুনা সাৱধানে আৱে ইক্ষাকু নন্দন।
কহোঁ আৰু মহাভাগৱতৰ লক্ষণ।।
কৃষ্ণকেসে চিন্তে যিটো নবাঞ্ছে বিষয়।
দেখন্ত বিষ্ণুৰ মায়া জগত নিশ্চয়।।৮৪।।
নকৰে কাক্ৰোশ দ্বেষ কিঞ্চিতো মনত।
সেহি জন জানিবা উত্তম ভাগৱত।।
জনম মৰণ ক্ষুধা তৃষ্ণা ভয় মৰ্ম্ম।
দেহ প্ৰাণ বুদ্ধি মন ইন্দ্ৰিয়ৰ ধৰ্ম্ম।।৮৫।।
ইসৱ সংসাৰ ধৰ্ম্ম জানয় সতত।
নোহে বিমোহিত চিত্ত কদাচিতো তাত।।
ঈশ্বৰৰ ধ্যান মাত্ৰ কৰন্ত সাক্ষাত।
জানিবা নৃপতি সিটো উত্তম ভকত।৮৬।।
একে মাধৱতে মাত্ৰ কৰিলে আশ্ৰয়।
কাম্য কৰ্ম্ম বাসনাক তেজিলে হৃদয়।।
হৰিৰ চৰণ মনে নছাৰে সতত।
সেহি জন জানিবা উত্তম ভাগৱত।।৮৭।।
সন্তৰ সঙ্গত সদা হৰিক সেৱয়।
জানিবা নৃপতি সেই জন মহাশয়।।
কাম্য কৰ্ম্ম দ্বেষ মোহ হৰিষ ৰহিত।
হুয়া ফুৰে নিতান্তে কৃষ্ণত দিয়া চিত্ত।।৮৮।।
হৰিকথা ত্যজিয়া আনত নেদে মন।
কৈলো ভকতৰ ৰাজা যেন প্ৰৱৰ্ত্তন।।
কুল কৰ্ম্ম বৰ্ণাশ্ৰম আদি ধৰ্ম্ম যত।
উত্তম বুলিয়া গৰ্ব্ব নুপজে দেহত।।৮৯।।
অভিমান শূন্য হৈয়া হৰিক ভজয়।
হৰিৰ পৰম প্ৰিয় সেহি জন হয়।।
কহিলো নৃপতি যেন ভক্তৰ লক্ষণ।
তাসম্বাৰ স্বভাৱ শুনিয়ো এহি ক্ষণ।।৯০।।
নকৰে আপুন পৰ বুদ্ধি ধন বিত্তে।
সমস্তৰে একে আত্মা জানে যিটো চিত্তে।।
সকলো লোকত সম ভাৱ নিৰূপম।
চিনিবা নৃপতি সিটো ভকত উত্তম।।৯১।।
এক নিমিষাৰ্দ্ধো যদি এৰে হৰিপদ।
এতেকেসে মিলে আসি ত্ৰৈলোক্য সম্পদ।।
তথাপি ক্ষণাৰ্দ্ধো নেৰে কৃষ্ণৰ চৰণ।
সেহি মহা সাৰ জানি কৰন্ত স্মৰণ।।৯২।।
ত্ৰৈলোক্য ঈশ্বৰ সৱো মহা নম্ৰভাৱে।।
চিন্তে মাত্ৰ হৰিপদ আজিও নপাৱে।।
এতেকে জানিছে তুচ্ছ ত্ৰৈলোক্য সম্পত্তি।
এহি বুলি নেৰে কষ্ণ চৰণে ভকতি।।৯৩।।
জানিবাহা সিটো আতি প্ৰধান ভকত।
হেনবা কৰিবা শঙ্কা নৃপতি মনত।।
যিটো হৰিপদক বিচাৰে দেৱগণে।
জানিবাহা তথাপিতো নপাৱে দৰ্শন।।৯৪।।
হেন কৃষ্ণ চৰণক নেৰে অনুক্ষণ।
বৈষ্ণৱৰ অগ্ৰগণ্য জানিবা সিজন।।
বিষয়ৰ সন্তাপ কামে চলাইবেক মন।
কিমতে নেৰিবে সিটো কৃষ্ণৰ চৰণ।।৯৫।।
হেনয় সংশয় যদি কৰা নৰপতি।
ইহাৰ উত্তৰ আৱে শুনিয়ো সম্প্ৰতি।।
হৰিপদ সেৱা সুখ মনে মিলৈ যাৰ।
বিষয়ৰ তাপ যত নথাকয় তাৰ।।৯৬।।
কৃষ্ণ পাদপদ্মৰ অৰুণ নখপান্তি।
যাৰ মনে চোৱে তাৰ সুশীতল কান্তি।।
যেন হিম পৰি জুৰায় তাহাৰ হৃদয়।
আৰ কি হৈবেক আসি সন্তাপ উদয়।।৯৭।।
যেন চন্দ্ৰ উদয়ে সূৰ্য্যৰ গুচে তাপ।
ভক্তৰ নোহয় তেন বিষয় সন্তাপ।।
শুনা ৰাজা যেন আৱে তাসম্বাৰ বাক।
বিষয় আলাপ পাপ জানি ছাড়ৈ তাক।।৯৮।।
লৈয়া মহা সাধুসঙ্গ সদা শুদ্ধভাৱে।
সুখে দুখে মুখে হৰিনাম মাত্ৰ গাৱে।।
লক্ষণ যতেক কৈলো মহা ভকতৰ।
সৱাতো অধিক যিটো জন সাৰোতৰ।।৯৯।।
যাত পৰে নাহি আৰ ভকত প্ৰধান।
তান কথা কহোঁ শুনা হুয়া সাৱধান।।
চাৰিয়ো বেদৰ তত্ত্ব অৰ্থ যিটো জানে।
মাধৱক বান্ধৱ বুলিয়া যিটো মানে।।১০০।।
কৃষ্ণ পাদপদ্মক বান্ধিলে প্ৰেমজৰী।
আপুনি নেড়ন্ত তাৰ হৃদয়ক হৰি।।
অকস্মাতো সিটো নাম লৈলে মাত্ৰ আসি।
এতেকে হৰন্ত তাৰ মহা পাপৰাশি।।১০১।।
তান্তে উপজন্ত প্ৰেম জানি কৃপাময়।
আউৰ কি এৰিতে পাৰে তাহান হৃদয়।।
নেড়ৈ তান ভকতেসে হৰিক প্ৰৱন্ধি।
হৰিয়ো নেড়ন্ত তাঙ্ক প্ৰেমে হুয়া বন্দী।।১০২।।
এতেকে যতেক কৈলো ভকত প্ৰধান।
জানা ৰাজা কেহো নহে ইহান সমান।।
উত্তমতো উত্তম সেহিসে ভাগৱত।
উপজিলা প্ৰেম যাৰ হৰি স্মৰণত।।১০৩।।
এহি কহি হবিসিদ্ধ মৌন হুয়া আছে।

দেখি প্ৰণিপাতে ৰাজা পুছিলন্ত পাছে।।
পৰম ঈশ্বৰ কৃষ্ণ জগতৰ স্বামী।
তাহান মায়াক জানিবাক চাওঁ আমি।।১০৪।।
ব্ৰহ্মাদিকো মোহে যিটো সিটো কোন মায়া।
কহিয়োক সিদ্ধসৱ যদি থাকে দায়া।।
হেনবা বুলিবা যিটো কহিলো ভকতি।
তাকে জানি ভৈলা তুমি কৃতাৰ্থ সম্প্ৰতি।।১০৫।।
নলাগে জানিবে আৰ বিস্তৰ তোহ্মাৰ।
শুনিয়োক সিদ্ধসৱ সিদ্ধান্ত ইহাৰ।।
কৰৈ সংসাৰৰ তাপে আহ্মাক দগধ।
কৃষ্ণকথা অমৃতেসে ইহাৰ ঔষধ।।১০৬।।
আজিসে জীয়াইলা মোক বচন অমৃতে।
যতেক শুনোহো তভো তৃপ্তি নাহি চিত্তে।।

**।।ভগৱন্মায়া বৰ্ণনা।।**

হেন শুনি বুলিলন্ত অন্তৰীক্ষ সিদ্ধ।
শুনা ৰাজা যিটো মায়া জগত প্ৰসিদ্ধ।।১০৭।।
প্ৰত্যেকে দেখাইবো তাক কাহাৰ শকতি।
মায়াৰ কাৰ্য্যক কহো শুনা মহামতি।।
অনাদি পুৰুষ কৃষ্ণ জগত কাৰণ।
স্ৰজিলা মায়াক লৈয়া মহা ভূতগণ।।১০৮।।
জীৱৰ বিষয় সুখ নিমিত্তে ঈশ্বৰ।
পঞ্চ ভূতে স্ৰজিলা বিৱিধ কলেৱৰ।।
মায়ায়ে উপায়ে প্ৰাণী স্ৰজিলা অশেষ।
তাতে অন্তৰ্য্যামী ৰূপে ভৈলন্ত প্ৰৱেশ।।১০৯।।
বিভজিয়া আপুনাক প্ৰভু নাৰায়ণ।
স্ৰজিলা ইন্দ্ৰিয় যত প্ৰাণ বুদ্ধি মন।।
ইন্দ্ৰিয়ৰ সঙ্গে জীৱ ভুঞ্জে বিষয়ক।
আত্মা বুলি মানে মায়াময় শৰীৰক।।১১০।।
ধৰে মহা মোহে আতি হোৱে জ্ঞান শূন্য।
সকামে অনেক কৰ্ম্ম কৰে পাপ পুণ্য।।
সেহি কৰ্ম্মফল ভুঞ্জি ভ্ৰমে সংসাৰত।
নাহি অন্ত জীৱৰ যাতনা দুঃখ যত।।১১১।।
মিছা মায়াময়ত উপজে মৰে জীৱ।
এহি লীলা আতে প্ৰীতি হোন্ত সদাশিৱ।।
যাৱে সৃষ্টি থাকে মহা নিমিলে প্ৰলয়।
জনম মৰণ ভাৱে নেৰাই মৃত্যুভয়।।১১২।।
পশুপক্ষী বৃক্ষ কীট পতঙ্গ যোনিত।
উপজি যাতনা আদি ভুঞ্জে বিপৰীত।।
বহু অমঙ্গলপ্ৰদ হেন কৰ্ম্মগতি।
পায়া নৰে সংসাৰত ভ্ৰমে বিসঙ্গতি।।১১৩।।
নিতান্ত অৱশ হুয়া প্ৰলয় যাৱত।
জন্ম মৃত্যু ৰূপ দুখ ভুঞ্জে নানা মত।।
কালৰূপী কৃষ্ণ যিটো জগত আধাৰ।
কৰন্ত লীলায়ে পাছে সৃষ্টিক সংহাৰ।।১১৪।।
মায়াৰ যতেক কাৰ্য্য কাৰণ সমস্ত।
দুনাই আনি মায়াত কৰান্ত সৱে অস্ত।।
হোৱৈ অনাবৃষ্টি পাছে শতেক বৎসৰ।
মিলৈ মহা মৰণ লোকৰ নিৰন্তৰ।।১১৫।।
ত্ৰৈলোক্যক কৰে তাপ প্ৰচণ্ড আদিত্য।
অনন্ত মুখৰ বহ্নি বজাই বিপৰীত।।
পাতালৰ পৰা দহি আসে উপৰক।
লগত সহায় বহে বায়ু অমূৰ্ত্তক।।১১৬।।
অগনিৰ শিখায়ে দহৱে দশো দিশ।
পাছে মেঘে কৰে বৃষ্টি শতেক বৰিষ।।
পৰে জলধাৰা হস্তী শুণ্ডৰ সমান।
প্ৰলয়ৰ জলে কৰে জগত নিৰ্য্যাণ।।১১৭।।
নথাকয় প্ৰাণী আৰ ব্ৰহ্মাণ্ড ভিতৰ।
কৃষ্ণৰ কটাক্ষে নষ্ট হোৱে চৰাচৰ।।
স্থুল দেহ ভগ্ন হৈলে যত জীৱ ৰাশি।
পুনৰপি প্ৰকৃতিত লীন হোৱে আসি।।১১৮।।
যিটো ব্ৰহ্মা মাধৱৰ ভকতি বিহীন।
তেহো হোৱৈ আসি পুনু প্ৰকৃতিত লীন।।
ব্ৰহ্মাৰো মুকুতি নাহি নভৈলে ভকতি।
সামান্যৰ কিম্বা কথা কহিবো নৃপতি।।১১৯।।
যেন কাষ্ঠ দহিলে অগনি নৰহয়।
সেহিমতে হোৱে সৱে প্ৰকৃতিত লয়।।
শুনা আৱে যেনমতে মহাভূতচয়।
অন্যো অন্যে হোৱে গৈয়া কাৰণত লয়।।১২০।।
পৃথিৱীৰ গন্ধ গুণ হৰিৱে অনিল।
তেখনে পৃথিৱী গৈয়া হৈৱেক সলিল।।
যেৱে জলহন্তে বায়ু ৰস হৰি লয়।
সেহি জল অগনিত হোৱে আসি লয়।।১২১।।
অগ্নিৰ ৰূপক পাছে হৰিবেক তম।
তেবে অগ্নি বায়ুত প্ৰৱেশে এহি ক্ৰম।।
হৰিবেক গন্ধ গুণ বায়ুৰ গগণে।
গগণত বায়ু যায় পশিব তেখনে।।১২২।।
আকাশৰ শব্দ গুণ হৰিবেক কাল।
পাশে অহঙ্কাৰত আকাশ ততকাল।।
মন বুদ্ধি ইন্দ্ৰিয় দেৱতা যত আছে।
সমে অহঙ্কাৰত প্ৰৱেশ হৈব পাছে।।১২৩।।
সেহি অহঙ্কাৰ লীন হৈব মহত্বত।
প্ৰকৃতিত লয় হৈবে আপুনি মহত্ব।
কহিলো নৃপতি প্ৰতি প্ৰলয়ৰ ক্ৰম।
এহিটো কৃষ্ণৰ মায়া পৰম দুৰ্গম।।১২৪।।
ব্ৰহ্মা আদি কৰি কীট পতঙ্গ পৰ্য্যন্ত।
মায়ায়ে সৱাৰো কৰৈ সৃষ্টি স্থিতি অন্ত।।
কোটি কোটি কল্পে মৰি উপজে মায়াত।
হেন জন নাহিকে মায়াৰ এড়াই হাত।।১২৫।।
যতেক জগত দেখা মায়াৰ নিৰ্মাণ।
বৰ্ণ্ণাইলো মায়াক ৰাজা দেখা বিদ্যমান।।
ইহাক শুনিয়া নিমি ভৈলা মহা ভয়।
তম্ভিয়া আছয় মনে মিলিলা বিস্ময়।।১২৬।।
সদয় হৃদয় দেখি ভৈলা সিদ্ধগণ।
ৰাজাক সম্বোধি বোলে মধুৰ বচন।।
আউৰ কিবা শুনিবাক ইচ্ছা আছে মনে।
পুছিয়ো নৃপতি তুমি আহ্মাত এখনে।।১২৭।।
ৰাজায়ো জানিলা সিদ্ধ সদয় আহ্মাত।
পুছিলন্ত কথা পাছে কৰি প্ৰণিপাত।
শুনা সিদ্ধসৱ আমি কহিলো নিশ্চয়।
শুনিয়া মায়াৰ কথা ভৈলো মহা ভয়।।১২৮।।
বিষয়ৰ বিকল নুগুচে কদাচিত।

ৰাত্রি দিনে গৃহ কুটুম্বত মাত্র চিত্ত।।
সিসবো যিমতে মহা সুখে তৰে মায়া।
কহিয়ো উপায় সেহি যদি থাকে দায়া।।১২৯।।
যদ্যপি প্রথমে পাইলা তৰণ উপায়।
তথাপি পুছন্ত পুনু পুনু নিমিৰায়।।
আনো বা উপায় আছ মায়াৰ তাৰক।
তাক জানিবাক লাগহি পুছন্ত সিদ্ধক।।১৩০।।
অনেক প্রৱন্ধে সিদ্ধে মনে গুণি চাইলা।
ভকতি বিনাই অন্য উপায় নপাইলা।।
অনেক প্রকাৰে দঢ়াই চিত্তক একান্ত।
দিলেক ৰাজাক পাছে প্রবুদ্ধে সিদ্ধান্ত।।১৩১।।
মায়াৰ তৰণ উপায় শুনিয়ো সম্প্রতি।
ওপজাইবে প্রথমে সৱাতো বিৰকতি।।
দেখি শুনি মানে ইটো জগত যতেক।
মায়াৰ ৰচনা জানা সম্যকে টাটক।।১৩২।।
দুখ দূৰ যাইবে সুখ হৈবে বুলি মনে।
কৰ্ম্মক আৰম্ভ কৰে মহামূঢ় জনে।।
দুখসে মিলাৱে সুখ নাহিকে কিঞ্চিত।
দেখিবা কৰ্ম্মৰ ফল হেন বিপৰীত।।১৩৩।।
আপুনাৰ মৃত্যু বুলি মানিবেক ধন।
নানা পীড়া মিলৈ আসি ইহাৰ কাৰণ।।
পুত্র পত্নী পশু গৃহ ক্ষণিক চঞ্চল।
কোন প্রীতি সাধিবেক ইসৱো নষ্ফল।।১৩৪।।
যদি বোলা ধন হন্তে ধৰ্ম্ম উপজয়।
সেহি ধন হন্তে স্বৰ্গসুখক পাৱয়।।
শুনিয়ো স্বৰ্গত আছে যত যত সুখ।
সমস্তে বিনাশী সদা পাৱে মাত্র দুখ।।১৩৫।।
আপুনাৰ সমান পৰৰ দেখি শ্রীক।
কৰি নিন্দাবাদ তৈতো বিৱাদ অধিক।।
অনুদিনে দেখে যেন পুণ্য যায় ক্ষয়।
মনৰ নুগুচে সৱা পতনৰ ভয়।।১৩৬।।
অখণ্ড মণ্ডলপতি যেন ৰাজাগণ।
পৰস্পৰে দ্বন্দ্ব কৰি তেজয় জীৱন।।
অন্তকক শঙ্কায়ে ব্রহ্মাৰো সুখ নাই।
সামান্যৰ কোন লেখা দেখা নিমিবায়।।১৩৭।।
হেন জানি চাহে যিটো উত্তম কল্যাণ।
প্রথমে কৰিবে সিটো গুৰুক সন্মান।।
জানন্ত শাস্ত্ৰৰ তত্ত্ব কৃষ্ণত ভকত।
সেহি গুৰু উপদেশ দিবাক শকত।।১৩৮।।
যদ্যপি ভকত হোন্ত নুহিকা পণ্ডিত।
শিষ্যৰ সংশয় সিটো নপাৰে খণ্ডিত।।
যদিবা পণ্ডিত ভৈলা নুহিকা ভকত।
তান উপদেশে বোধ নুপজে শিষ্যত।।১৩৯।।
হৰিক বান্ধৱ মাণি কৰয় কীৰ্ত্তন।
সকলে শাস্ত্ৰক জানে সেহি মহাজন।।
বিশিষ্ট গুৰুক অকপটে সেৱা কৰি।
মানিবেক এন্তে আত্মা এন্তে মহাহৰি।।১৪০।।
হেনয় বিনয় কৰি গুৰুৰ চৰণে।
ভাগৱত ধৰ্ম্ম শিখিবেক এক মনে।।
যি ধৰ্ম্মত তুষ্ট হুয়া প্রভু ভগৱন্ত।
নিজ ভকতত আপুনাকে দান দেন্ত।।১৪১।।
নেড়ন্ত ক্ষণেক আৰু প্রভু দামোদৰ।
কাচতে থাকন্ত যেন বলি প্রহ্লাদৰ।।
প্রথমে লৈবেক হেন জানি সাধুসঙ্গ।
কৰিবেক আন বিষয়ত আশা ভঙ্গ।।১৪২।।
সমস্তকে ঈশ্বৰত অৰ্চিবেক চিত্তে।
উত্তমত প্রীতি কৰিবেক যথোচিতে।।
সমানত মৈত্রী দিন দৰিদ্রক দায়া।
কৰিবে ভাৱনা গুৰু উপদেশ পায়া।।১৪৩।।
সত্য শৌচ অহিংসা শিখিবে সম দম।
সুখ দুখ হৰিষ বিষাদে হৈবে সম।।১৪৪।।
সৱাকে সহিবে আৰু হৈবে অকূটিল।
ব্রহ্মচৰ্য্য ধৰিবেক হৈবেক সুশীল।
উপযুক্ত পাত্র বুজি পঢ়িবেক বেদ।
সৱাতে দেখিব ঈশ্বৰক অৱিচ্ছেদ।।১৪৫।।
দেহ গৃহাদিত এৰিবেক অভিমান।
নিৰ্জ্জন স্থানত কৰিবেক অৱস্থান।।
পিন্ধিব আনন্দে চীৰ বাকলি বসন।
যেহি মিলে তাহাতে সন্তুষ্ট হৈব মন।।১৪৬।।
ভাগৱত শাস্ত্রে শ্রদ্ধা কৰিব নিতান্ত।
নকৰিব নিন্দা আন শাস্ত্ৰকো একান্ত।।
হৈবে ক্ষমাশীল দয়া কৰিবে লোকক।
অন্তৰ্য্যামীৰূপে জানিবেক ঈশ্বৰক।।১৪৭।।
চিদানন্দ ৰূপে জানিবেক আপুনাক।
নেৰিবে স্বধৰ্ম্ম নুবুলিবে বৃথা বাক।।
মনক কৰিবে দণ্ড প্রাণায়াম কৰি।
কৰিবে বাক্যৰ দণ্ড মৌন ভাৱ ধৰি।।১৪৮।।
কৰ্ম্মৰ কৰিবে দণ্ড তেজিয়া যতন।
ইন্দ্রিয় দমিব সত্য কহিব বচন।।
এৰিবে সদায় কাম ক্রোধ অহঙ্কাৰ।
তেৱেসে এৰাইব হাত দুৰ্জয় মায়াৰ।।১৪৯।।
যদি বোলা দুষ্কৰ ইসৱ মহা কৰ্ম্ম।
শুনিয়ো সুগম তেৱে ভাগৱত ধৰ্ম্ম।।
ঈশ্বৰ কৃষ্ণৰ জন্ম কৰ্ম্ম গুণগণ।
সদায়ে কৰিবে ধ্যান শ্রৱণ কীৰ্ত্তন।।১৫০।।
তান অৰ্থে কৰিবেক ধৰ্ম্ম যত যত।
নিৱেদিব সমস্তে গোৱিন্দ চৰণত।।
পুত্র পত্নী সৱাকো সেৱক কৰি দিব।
আপুন প্রাণকো কৃষ্ণপাৱত অৰ্পিব।।১৫১।।
কৰিব সুহৃদ হৰি ভকত সহিতে।
বৃক্ষ পশু পক্ষীকো অৰ্চ্চিব যথোচিতে।।
তাতো কৰি সাদৰিব মনুষ্য জাতিক।
ধৰ্ম্মশীল জনকো অৰ্চিব ততোধিক।।১৫২।।
যিটো মহা ভক্তৰ কৃষ্ণেসে আত্মাপ্রাণ।
ধৰ্ম্মিষ্ঠতো অধিক কৰিবে বহু মান।।
দেৱতো তীৰ্থতো কৰি ভকতেসে পূজ্য।
কহিলো নৃপতি ইটো বেদান্তৰ গুহ্য।।১৫৩।।
আক যদি দুষ্কৰ দেখিয় মহাৰথ।
সুলভতো সুলভ শুনিয়ো যিটো পথ।।
শুনা সভাসদ জন্ম নকৰিয়ো বৃথা।
কৃষ্ণ কথা অমৃতক পীয়োক সৰ্ব্বথা।।১৫৪।।
যিটো জনে পাৱে কৃষ্ণ কথাক মধুৰ।

তাহাৰ সংসাৰ তাপচয় হোৱে দূৰ।।
বিষয় বিষত তাৰ গুচে অনুৰাগ।
নকৰন্তো মহা মহা পূণ্য লৈবে লাগ।।১৫৫।।
মোক্ষতো অধিক সুখ মিলয় মনত।
কি কহিবো ইটো হৰি নামৰ মহত।।
মিছাতে কৰিয়া আলে জালে আয়ু ক্ষেপ।
মৰিবাক লাগি কাল আছয় সংক্ষেপ।।১৫৬।।
আজি কালি কৰন্তে অন্তকে চাপে পাশ।
চিন্তামণি জন্ম ইটো ব্যৰ্থে হোৱে নাশ।।
কৈত কেতিক্ষণে মিলে দুৰ্ঘোৰ মৰণ।
ঝান্টে কৃষ্ণ চৰণত পশিয়ো শৰণ।।১৫৭।।
পৰলোক সম্বল বান্ধৱ হৰি নাম।
কৃষ্ণৰ কিঙ্কৰে কহে বোলা ৰাম ৰাম।।১৫৮।।

## ।।দুলড়ী।।

প্ৰবুদ্ধ বদতি আৰে একাচিতি
শুনিয়োক মহাৰথ।
তোম্মাৰ আগত কৰিবো বেকত
পৰম সুগম পথ।।
কৃষ্ণকেসে আত্মা ঈশ্বৰ বুলিয়া
ধৰিছে যিটো ভকতে।
তাঙ্কেসে পৰম সুহৃদ বুলিয়া
মানিৱে মনে সততে।।১৫৯।।
তাহান সহিতি কৰি এক প্ৰীতি
বসিয়া একত্ৰ সঙ্গে।
কৰিব আলাপ তেজিব সন্তাপ
গাইব হৰি গুণ ৰঙ্গে।।
মাধৱৰ জন্ম গুণ নাম কৰ্ম্ম
নেড়িব আক সঘনে।
কতোহো শুনিব কীৰ্ত্তন কৰিব
স্মৰিব কতোহো মনে।।১৬০।।
কৃষ্ণৰ চৰিত্ৰ পৰম পৱিত্ৰ
হেনয় মানিয়া মনে।
তাহাকে কথিব তাহাকে মথিব
অন্যো অন্যে সৰ্ব্বক্ষণে।।
এক প্ৰাণ হুয়া অশ্ৰদ্ধা অসূয়া
এড়িব কৰ্কশ বাদ।
অন্যো অন্যে ৰতি অন্যো অন্যে প্ৰীতি
কৰিব আতি আহ্লাদ।।১৬১।।
হুয়া তুষ্ট মতি কৰিব ভকতি
কহি কথা পৰস্পৰে।
তেৱেসে সমস্ত দুখ হৈব অন্ত
সুখে সংসাৰক তৰে।।
পাছে একমতি কৰন্তে ভকতি
সোলকে মায়াৰ ফান্দ।
শুনিয়ো যিমতে আপুনি সততে
মিলয় পৰমানন্দ।।১৬২।।
যাৰ নামচয় শুনিল মাত্ৰকে
হোৱে পাপৰাশি নাশ।
হেনয় হৰিক স্মৰিব স্মৰাব
কৰিয়া দৃঢ় বিশ্বাস।।

তান্তে মন মজে এতেকে উপজে
পৰম প্ৰেম ভকতি।
তনু পুলকিত হোৱে ৰোমাঞ্চিত
আনন্দে আকুল আতি।।১৬৩।।
শৰীৰ সিহঁৰে লোতক নিগৰে
দ্ৰৱে চিত্ত আতিশয়।
কান্দয় বাগৰি এতদিন এড়ি
আছা মোক কৃপাময়।।
হোৱয় স্ফুৰুতি কৃষ্ণৰ মূৰুতি
মনত থাকে আকলি।
ছিণ্ডে মায়া ফান্দ উপজে আনন্দ
কতো হাসে খলখলি।।১৬৪।।
কতোহো উৎসুকি হৰি বুলি উকি
দিয়া গোৱিন্দক ডাকে।
কৰো যোড়হাত হে প্ৰাণনাথ
কৰিয়ো কৃপা আম্মাকে।।
মিলে আসৰিস মনত হৰিষ
কতো উঠি নৃত্য কৰে।
ফুৰৈ হুমি হুমি কৈক যাইবা তুমি
চাম্প দিয়া যেন ধৰে।।১৬৫।।
চিন্তি চক্ৰপাণি অলৌকিক বাণী
বোলে কতো কদাচিত।
কতো প্ৰেম ভাৱে নাম গুণ গাৱে
গোৱিন্দত দিয়া চিত্ত।।
কৰে কৃষ্ণ লীলা যিমতে সুসিলা
পুতনাৰ স্তন পান।
ধৰি চক্ৰবাত পাড়য় শিলাত
বককো কৰৈ নিৰ্য্যাণ।।১৬৬।।
অৰ্জ্জুন উভঞ্জৈ লৱনুক ভুঞ্জৈ
গোপীৰ বঢ়াই উৎসুক।
যতেক অসুৰ কৰৈ মসীমূৰ
অৰিষ্ট অঘ ধেনুক।।
দুষ্ট সৰ্প কালী হ্ৰদৰ নিকালি
বন বহ্নি কৰৈ পান।
কতো লীলা কৰি গোৱৰ্দ্ধন ধৰি
গোকুলক কৰৈ ত্ৰাণ।।১৬৭।।
দশন উভাৰি কুৱলয় মাৰি
কতো পশি ৰঙ্গশালা।
কান্ধে হস্তী দান্ত লোকক দেখান্ত
যেন গোপালৰ লীলা।।
মঞিঁ কৃষ্ণ বুলি ধৰিয়া আম্ফালি
আছাড়ি মাৰয় মাল।
ঘণ্টাক লাড়িয়া ভূমিত পাৰিয়া
কৰৈ কংস ৰায়ৰ কাল।।১৬৮।।
মাৰিলা বৈৰক দেখায়া লোকক
কতো নাচে নানা ছন্দে।
প্ৰেমে হুয়া মত্ত কৃষ্ণ লীলা যত
আপুনি কৰৈ আনন্দে।।
হে কৃষ্ণ প্ৰাণ কৰা পৰিত্ৰাণ
বোলৈ কতো সচকিতে।
ভকতি প্ৰভুৰ এতেক মধুৰ

আৱেসে জানিলো চিত্তে।।১৬৯।।
হৰি ৰসে ভুলি কৃষ্ণতে সমূলি
মজে মন জীৱ প্ৰাণ।।
গৃহ শৰীৰকো পাসৰে সৱাকো
নৰহে কাহাতো জ্ঞান।।
কতোহো মূৰুতি হোৱয় বিদিত
জুৰয় নয়ন দুই।
পুলকিত কায় ঈশ্বৰক পায়
সুখে থাকে মৌন হুই।।১৭০।।
আনন্দতে মজে হৃদয়ত ভজে
হৰিক মনত স্মৰে।
সিটো ভকতক দেখিল মাত্ৰকে
তিনিয়ো জগত তৰে।।
যত গৃহ বাস বিষয় বিলাস
দেখে সমস্তকে মিছা।
কৃষ্ণৰ চৰণ সেৱাতেসে মন
মুকুতিকো নাই ইচ্ছা।।১৭১।।
শুনিলা নৃপতি কৃষ্ণত ভকতি
কৰন্তে পৰম সুখ।
অপ্ৰয়াসে হয় নাহি ধন ব্যয়
নলাগে গাৱত দুখ।।
নকৰি প্ৰৱন্ধ ছিণ্ডে কৰ্ম্মবন্ধ
পুৰুষে নজানে তাক।
নাৰায়ণ পৰ হোৱে যিটো নৰ
সুখতে তৰে মায়াক।।১৭২।।
সংসাৰ তাৰণ কৃষ্ণৰ চৰণ
শৰণ পশিয়ো তাত।
কহিলো প্ৰত্যেকে নৃপতি এতেকে
এৰাইবা মায়াৰ হাত।।
যেন নিমিৰায় পুছিলা উপায়
কৰিলা তাক প্ৰকাশ।
হেন শুনি ৰাজা সমজ্যাৰ প্ৰজা
সৱেও পাইলা উল্লাস।।১৭৩।।

**।।ছবি।।**

শুনা সভাসদ যত বুজিয়া শাস্ত্ৰৰ তত্ত্ব
সাধু সঙ্গে কৰিয়োক ৰতি।
জনম নকৰা বৃথা মহন্তৰ মুখে কথা
শুনি কৰা কৃষ্ণত ভকতি।।
ক্ষণে ক্ষণে টুটে আয়ু কৈত ছুটে প্ৰাণ বায়ু
ইটো চিন্তা নথাকে মনত।
বন্ধু মাধৱক এড়ি খেলাৱে মায়াৰ খেড়ি
কিনো মোহে ভৈলা বুদ্ধি হত।।১৭৪।।
অন্তকে ধৰিলে পৰা জানিয়া চেতন ধৰা
ছাড়া ছাৰ বিষয়ৰ ধান্ধা।
কৃষ্ণত দিয়োক চিত্ত মৰণ সম্বল বিত্ত
হৰিৰ নামক গলে বান্ধা।।
মিছা ইটো লাট-পাট ভাঙ্গিবেক ভৱহাট
নিবে কালে ক্ষণেকে সংহৰি।
সন্তৰ সঙ্গতি লৈয়া কৃষ্ণপৰায়ণ হৈয়া
নিৰন্তৰে বোলা হৰি হৰি।।১৭৫।।

**।।পদ।।**

পুনৰপি নৃপতি পুছন্ত প্ৰণিপাতে।
শুনা মহাসিদ্ধসৱ সোধোঞোঁ সৱাতে।।
বোলা তড়ে নাৰায়ণ পৰসে মায়াক।
কোন নাৰায়ণ ৰূপ কহিয়োক আক।।১৭৬।।
কোনবা কৰন্ত কৰ্ম্ম প্ৰভু নাৰায়ণ।
চিনায়োক মোত তান স্বৰূপ লক্ষণ।।
সংসাৰ তাপত মৰো বিষয় বিষাদে।
হেন বা তৰিবে পাৰো তোম্হাৰ প্ৰসাদে।।১৭৭।।

**।।নাৰায়ণৰ ৰূপ বৰ্ণনা।।**

শুনিয়া পিপ্পলায়ণ দিলন্ত উত্তৰ।
শুনা কহো নাৰায়ণ ৰূপ নৃপবৰ।।
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু যিটো দেৱ।
যাত পৰে পৰম ঈশ্বৰ নাহি কেৱ।।১৭৮।।
জাগন সোপন যিটো নিৰ্ভৰ নিদ্ৰাত।
সমাধিত সাক্ষী ৰূপে থাকন্ত সাক্ষাত।।
সচেতন কৰাই দেহ প্ৰাণ ইন্দ্ৰিয়ক।
জীৱক ভুঞ্জান্ত নানাবিধ বিষয়ক।।১৭৯।।
পৰমাত্মা বুলি তাক কহে মুনিগণ।
তেহেন্তে পৰম তত্ব জানিবা ৰাজন।।
হৰি হৰি বিধি যাৰ থাকে আজ্ঞা কৰি।
ঈশ্বৰো ঈশ্বৰ তেহন্তে মহা হৰি।।১৮০।।
তাঙ্কে নাৰায়ণ বুলি জানিবা নৃপতি।
তাহানেসে চৰণ সেৱায়ে সাধে গতি।।
প্ৰৱৰ্ত্তান্ত যেখন ইন্দ্ৰিয় সমস্তক।
পৰমাত্মা তেখন বুলিয় মাধৱক।।১৮১।।
সমাধিত বেকত হোৱন্তে গুচে ভ্ৰম।
বুলিয় তেখনে জানা মাধৱক ব্ৰহ্ম।।
কৰন্ত যেখন ইটো সৃষ্টি স্থিতি অন্ত।
বুলিয় তেখন মাধৱক ভগৱন্ত।।১৮২।।
ব্ৰহ্ম পৰমাত্মা ভগৱন্ত একে তত্ব।
একৰেসে তিনি নাম লক্ষণ ভেদত।।
নপাৰে ইন্দ্ৰিয় সৱে যাহাৰ ওচৰ।
যিটো নোহে মন বুদ্ধি বচন গোচৰ।।১৮৩।।
যেন ফিৰিঙ্গতিচয় বহ্নিতে বজাই।।
নকৰে প্ৰকাশ সিটো বহ্নিক দুনাই।।
সেহিমতে মন আদি তান্তে হুয়া জাত।
মায়াত থাকিয়া তাঙ্ক নজানে সাক্ষাত।।১৮৪।।
বেদেও যাহাক নিৰূপিবে নপাৰয়।
নিষেধৰ শেষ বুলি প্ৰকাৰে কহয়।।
যাত বিনে কাহাৰো নাহিকে একো সিদ্ধি।
যিটো ব্ৰহ্মতত্ব হোৱে সৱাৰো অবধি।।১৮৫।।
তেন্তে নাৰায়ণ ৰূপ জানিবা নৃপতি।
তাহান চৰণে মাত্ৰ কৰিয়ো ভকতি।।
যদি বোলা ইটো তত্ব কেহো নজানয়।
আছে বুলি কেনমতে কৰিবে প্ৰত্যয়।।১৮৬।।
তাহাৰ উত্তৰ শুনা হুয়া সাৱধান।
আছয় ইহাত ৰাজা অনেক প্ৰমাণ।।
কাৰণ নভৈলে নোহে কাৰ্য্যৰ উদয়।

সিটো সৱ ব্ৰহ্ম তাক শুনা মহাশয়।।১৮৭।।
সৱাৰো কাৰণ হোন্ত প্ৰভু ভগৱান।
কাৰণৰ পৰা সৰে কাৰ্য্যৰ বিধান।।
এক হুৱা বহু শক্তি ধৰে কিবা ৰূপে।
তাহাৰ নিদান ৰাজা শুনিয়ো স্বৰূপে।।১৮৮।।
একে ব্ৰহ্ম মাত্ৰ থাকা সৃষ্টিৰ আদিত।
জগত স্বৰূপে পাচে হোৱন্ত বিদিত।।
প্ৰকৃতি মহত অহঙ্কাৰ বুদ্ধি মন।
বহুবিধ বিষয় ইন্দ্ৰিয় দেৱগণ।।১৮৯।।
সমস্ত স্বৰূপ কৰে ব্ৰহ্মেসে প্ৰকাশ।
সমস্ততে কৰি যিটো আছন্ত নিৱাস।।
তেন্তে নাৰায়ণ তত্ব জানিবা নৃপতি।
তাহান চৰণ সেৱা বিনে নাই গতি।।১৯০।।
নাহি ক্ষয় বৃদ্ধি যিটো জন্ম মৃত্যু হীন।
সমস্ততে সাক্ষীৰূপে আছা উদাসীন।।
যদ্যপি আছন্ত ইটো জগত বিয়াপি।
নোছোৱে দেহৰ দোষে তাহাঙ্ক তথাপি।।১৯১।।
জ্ঞান মাত্ৰ ৰূপ নিত্য নিৰঞ্জন কায়।
থাকা সৰ্ব্বকালে সৰ্ব্ব দেহতে সদায়।।
ইন্দ্ৰিয়েসে কৰে তাঙ্ক বিৱিধ ভাৱনা।
যেন এক প্ৰাণ তাৰ অনেক কল্পনা।।১৯২।।
নাহিকে বিকাৰ যাৰ সদা সুখময়।
তাহাঙ্ক জানিলে পাপ তাপ হোৱে ক্ষয়।।
ভকতৰ পৰম সুহৃদ প্ৰাণ সম।
তাহাঙ্কে বুলিয় ব্ৰহ্ম জানা নৃপোত্তম।।১৯৩।।
ইন্দ্ৰিয়ৰ বলে ৰাজা জন্মৰ বিকাৰ।
আত্মাৰ বিকাৰ নাই জানিবাহা সাৰ।।
ইহাৰ দৃষ্টান্ত এক কৰোহো প্ৰকাশ।
তোহ্মাৰ হৈবেক তেৱে সংশয় বিনাশ।।১৯৪।।
মনুষ্যাদি চতুৰ্ব্বিধ প্ৰাণীৰ দেহত।
জীৱৰ সহিত প্ৰাণ থাকে অৱিৰত।।
দেহৰ আছয় দোষ ব্যভিচাৰ সিদ্ধ।
কতো বাল্য কতো যুৱা কতো হোৱে বৃদ্ধ।।১৯৫।।
দেহতে থাকয় প্ৰাণ নাহি ব্যভিচাৰ।
সেহিমতে নাহি ইটো আত্মাৰ বিকাৰ।।
জাগৰণ কালে যিটো নিদ্ৰা উপগতে।
অহঙ্কাৰ জিনিয়া থাকয় একমতে।।১৯৬।।
হেনবা বুলিবা যিটো নাৰায়ণ তত্ব।
জানিবা আছন্ত সমস্তৰ হৃদয়ত।।
কেতিক্ষণে কেনমতে হোৱন্ত সাক্ষাত।
কহিবো নৃপতি তাৰ উত্তৰ তোহ্মাত।।১৯৭।।
যেখনে নিৰ্ভৰ নিদ্ৰা হোৱে উপস্থিত।
ইন্দ্ৰিয় সকল অহঙ্কাৰ সহিত।।
তেখনে আত্মাত গৈয়া সৰে হোৱে লয়।
সেহি কালে আত্মা সাক্ষী স্বৰূপে থাকয়।।১৯৮।।
জীৱৰ হোৱয় আত্মা মাত্ৰ অনুভৱ।
নথাকয় বিষয় সম্বন্ধ লেশ লৱ।।
আত্মা অনুভৱ যদি ভৈলেক জীৱৰ।
তেৱে কিয় সংসাৰক পাৱয় পুনৰ।।১৯৯।।
তাহাৰ উত্তৰ শুনা হুয়া সাৱধান।
সিকালতো থাকয় অৱিদ্যা বিদ্যমান।
সেহি হেতু ঘটে পুনু সংসাৰ আপদ।
লিঙ্গদেহ ভাঙ্গিলেসে মিলে মোক্ষ পদ।।২০০।।
যদি বোলা লিঙ্গ দেহ ভাগিব কিমত।
তাহান উত্তৰ ৰাজা কহো স্বৰূপত।।
ধনৰ চেষ্টাক যিকালত এৰে মতি।
কেশৱৰ চৰণ সেৱাত বাঢ়ে ৰতি।।২০১।।
তেৱে তাৰ হোৱে আসি ভকতি প্ৰৱল।
পখালে চিত্তৰ তাৰ আছে যত মল।।
কেশৱ সেৱায়ে যেৱে ধৌত ভৈল চিত্ত।
হোৱে তাত তেৱে আসি ঈশ্বৰ বিদিত।।২০২।।
কৃষ্ণক সাক্ষাতে দেখি হৈবে মোহ হীন।
আপুনাক নেদেখিব কৃষ্ণএৰে ভিন্ন।।
বেঢ়িল পটলে যেন যাহাৰ নেত্ৰক।
সিটো জনে নেদেখে আগতে আদিত্যক।।২০৩।।
গুচাইলেক ঔষধে চক্ষুৰ যেৱে মল।
সি জনে সাক্ষাতে দেখে সূৰ্য্যৰ মণ্ডল।।
সেহিমতে কৃষ্ণকথা শ্ৰৱণ কীৰ্ত্তনে।
গুণৰ কৰ্ম্মৰ মল ত্যজে তাৰ মনে।।২০৪।।
নিৰ্ম্মল মনত হোৱৈ আত্ম পৰিচয়।
তেৱেসে কৃষ্ণত দৃঢ় ভক্তি উপজয়।।
কৰ্ম্ম যোগতেসে হোৱে ভক্তিৰ উদয়।
হেনয় মনত ৰাজা কৰিবা নিশ্চয়।।২০৫।।
পুনৰপি পুছন্ত কৰিয়া যোড়হাত।
কৈয়ো কৰ্ম্ম যোগ সিদ্ধসমস্ত আহ্মাত।।
যাক জানি নৰে কৰে কৰ্ম্মৰ নিহাৰ।
উপজে পৰম জ্ঞান নিস্তৰে সংসাৰ।।২০৬।।
ইক্ষাকু পিতৃৰ আমি সমীপত তথা।
ব্ৰহ্মপুত্ৰ সবত পুছিলো ইটো কথা।।
নেদিলা সিদ্ধান্ত কিয় সনক সনন্দে।
কহিয়ো কাৰণ শুনো পৰম আনন্দে।।২০৭।।

**।।কৰ্মযোগ কথন।।**

শুনি আৱিৰ্হোত্ৰ সিদ্ধে দিলন্ত সিদ্ধান্ত।
শুনা সিটো কথা চিত্ত কৰি উপশান্ত।।
পৰম গহন আতি ইটো বেদ বাণী।
যাক শুনি মোহ দূৰ হোৱে মহাজ্ঞানী।।২০৮।।
বেদে যাক বিহিয়াছে তাকে বুলি কৰ্ম্ম।
বেদে যাক নিষেধিলে সেহিটো অকৰ্ম্ম।।
বিহিত নাচৰি হয় বিকৰ্ম্ম পাতেক।
এহি তিনিবিধ কৈলো তোহ্মাত প্ৰত্যেক।।২০৯।।
বিকৰ্ম অকৰ্ম্ম কৰ্ম এহিতো ত্ৰিতয়।
বেদৰেসে মত জানা লৌকিক নহয়।।
যাক বেদে বোলে সিটো ঈশ্বৰ সাক্ষাত।
যিটো ঈশ্বৰ হন্তে হৈয়া আছে জাত।।২১০।।
ইহাৰ অৰ্থত মোহ হোৱে মহাজ্ঞানী।
বেদৰ তত্বক পাইব আন কোন প্ৰাণী।।
কৰ্ম্মযোগ জিজ্ঞাসি আছিল সিসৱত।
বালক সময়ে তাক বুজিবা কিমত।।২১১।।
পৰম দুষ্কৰ কৰ্ম্মযোগ আতিশয়।
তুমিয়ো তৈসানি শিশু ইক্ষাকু তনয়।।
এহি ভাৱি নকহিলে সিকথা তোহ্মাত।

সেহি কৰ্ম্ম যোগ আৰে কহিবো সাক্ষাত।।২১২।।
যিমত গহন কৰ্ম্ম শুনা পৰিচ্ছেদ।
শিক্ষা দেই মূঢ়ক পৰোক্ষবাদে বেদ।।
স্বৰ্গ সুখ আদি লোভ লগাই প্ৰথমত।
প্ৰৱৰ্ত্তান্ত অজ্ঞানীক সকাম কৰ্ম্মত।।২১৩।।
ভুঞ্জিবো বিশিষ্ট ভোগ লভিয়া স্বৰ্গক।
হেনয় কামনা কৰি অৰ্চ্চে ঈশ্বৰক।।
বাঢ়ে প্ৰীতি বেদৰ শুনিয়া ফলশ্ৰুতি।
পাচে সেহি কৰ্ম্মে তাৰ সাধিবে মুকুতি।।২১৪।।
যেন পিতৃ শিশুক লাডুৰ লোভ দেই।
তাক পাইবো বুলি শিশু ঔষধ পিৱই।।
পাচে খণ্ড লাডুৱে গৰ্ভৰো ৰোগ হৰৈ।
সেহিমতে অজ্ঞানী বেদৰ শিক্ষা ধৰে।।২১৫।।
পাচে বেদে বোলে এড়া ইসব কামনা।
নিষ্কামে কৰিবা এক কৃষ্ণত অৰ্পণা।।
সেহি কৰ্ম্মে কৰাই বিষয়ত বিৰকতি।।
উপজাইবে মাধৱত পৰম ভকতি।।২১৬।।
পৰম অজ্ঞানী হয় যিটো দুষ্ট চিত্ত।
নকৰে ইসৱ কৰ্ম্ম বেদৰ বিহিত।।
যাইবে সিটো বিকৰ্ম্ম পাপত অধোগতি।
মৰি মৰি উপজিবে যাতনাৰ প্ৰতি।।২১৭।।
হেন জানি নিয়মীয়া আপুনাৰ চিত্ত।
কৰিব সাত্বিক কৰ্ম্ম বেদৰ বিহিত।।
ছাড়িয়া কামনা কৰি অৰ্পণা ঈশ্বৰে।
পাইবেক পৰম সিদ্ধি তেৱে সিটো নৰে।।২১৮।।
সেহি কৰ্ম্মে কৰে জানা কৰ্ম্ম নিবাৰণ।
ফল-শ্ৰুতি মানে হোৱে ৰুচিৰ কাৰণ।।
বেদমতে কৰ্ম্ম-যোগ কহিলো নৃপতি।
আগম তন্ত্ৰ শুনিয়ো সম্প্ৰতি।।২১৯।।
আপুনি জীৱৰ যিটো অহঙ্কাৰ বন্ধ।
ছেদিবাক চাহে হেন কৰিয়া প্ৰৱন্ধ।।
ইশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
তাহাঙ্কে কৰিবে পূজা যেন তন্ত্ৰবিধি।।২২০।।
সেৱা কৰি গুৰুৰ পূৰিব মনোৰথ।
গুৰুৱে দেখাইবে তন্ত্ৰ মন্ত্ৰ পূজা পথ।।
যিটো মূৰ্ত্তি আপুনাৰ অভিমত জানি।
হৃদয়ৰ ঈশ্বৰক তাতে থৈব আনি।।২২১।।
স্নান কৰি বসিবেক দেৱক সন্মুখে।
ভূতশুদ্ধি প্ৰাণায়াম কৰিবেক সুখে।।
অঙ্গন্যাস কৰন্যাস কৰি বিধিৱত।
দেহ শুদ্ধি কৰিবেক হৈবেক সংযত।।২২২
দিগ্বন্ধন মন্ত্ৰে ৰক্ষা কৰিয়া বন্ধন।
হৰিক পূজিব জানা ইক্ষাকু নন্দন।।
আদিতে কৰিব শুদ্ধি যত দ্ৰব্যচয়।
কীট আদি জন্তু যেন তাত নথাকয়।।২২৩।।
ভূমিশুদ্ধি কৰিবেক মাৰ্জ্জন কৰিয়া।
কৰিব চিত্তৰ শুদ্ধি চঞ্চল এড়িয়া।।
স্নান অনুলেপনে স্বমূৰ্ত্তি শুদ্ধি কৰি।
আসন প্ৰোক্ষণ কৰি বসিব সাদৰি।।২২৪।।
প্ৰতিমাত মনতে বা হৰিক স্থাপিব।
যথা লব্ধ উপচাৰে তাহাঙ্ক অৰ্চ্চিব।।
পাদ্য অৰ্ঘ্য আচমন আনো উপহাৰ।
যেন পাৰে মিলাইবে পূজাৰ সম্ভাৰ।।২২৫।।
কৰি ন্যাস যেন বিধি হৃদয় আদিক।
কৰিব হৃদয়ে ধ্যান ঈশ্বৰ মূৰ্ত্তিক।।
পাদ্য অৰ্ঘ্য আচমন মধুপৰ্ক স্নান।
বসন ভূষণ অঙ্গমালা দিব্য দান।।২২৬।।
গন্ধে পুষ্পে ধূপে যেন বিধি কহে তন্ত্ৰে।
সাঙ্গোপাঙ্গে কৃষ্ণক পূজিব মূলমন্ত্ৰে।।
কৰ্পূৰ তাম্বুল দিব সুবাসিত জল।
তুলসী পুষ্পৰ মালা নানা বিধ ফল।।২২৭।।
ঈশ্বৰৰ আছে আৰু পাৰ্ব্বণ যতেক।
নিজ নিজ মন্ত্ৰে সমস্তকে পুজিবেক।।
অৰ্চ্চিয়া বিনয় ভাৱে পঢ়ি স্তুতি নতি।
কৰিব কৃষ্ণৰ পাচে পূজা সমাপতি।।২২৮।।
আপুনাক তেহু মূৰ্ত্তি চিন্তিয়া মনত।
ঘ্ৰাণিয়া নিৰ্ম্মাল্য পাচে পিন্ধিব শিৰত।।
পাদ্য অৰ্ঘ্য মধুপৰ্কে আচমনি স্নানে।
বসন ভূষণ অঙ্গমালা দিব দানে।।২২৯।।
অৰ্চ্চিয়া বিনয়ভাৱে পঢ়ি স্তুতিনতি।
কৰিব কৃষ্ণক পাচে পূজা সমাপতি।।
ঈশ্বৰক নিয়া হৃদি পদ্মে দিব ঠাই।
কৰগুতে প্ৰতিমাক থৈবেক দুনাই।।২৩০।।
এহিমতে মাধৱক পূজিবেক নিতে।
হৈবেক মুকুত সিটো অচিৰ কালতে।।
আহ্মাত পুছিলা যেন আপুনি নৃপতি।
কৈলো কৰ্ম্মযোগ যেন জানিলো সম্প্ৰতি।।২৩১।।
যিটো নিয়মিলে মন তেজি অহঙ্কাৰ।
ইটো কৰ্ম্মযোগত তাৰেসে অধিকাৰ।।
আৰে অভিমত যেন পুছিয়ো আহ্মাত।
শুনি ৰাজা কহিলন্ত কৰি যোড় হাত।।২৩২।।
অনেক জন্মৰ জানা আছে মহাভাগ।
সিহেতু সুধিবে তোমাসাক পাইলো লাগ।।
যেন যেন ৰূপে যিটো যিটো কৰ্ম্ম হৰি।
কৰিলা কৰন্ত কৰিবন্ত অৱতৰি।।২৩৩।।
শুনিবাক ইচ্ছা আছে কহিয়োক তাকে।
ভৃত্য হেন বুলি মোক যদি দয়া থাকে।।
শুনি সিদ্ধ দ্ৰুমিল উত্তৰ দিল পাচে।
ঈশ্বৰ কৃষ্ণৰ জন্ম কৰ্ম্ম যত আছে।।২৩৪।।
শত কোটি জন্মে কোনে কহি পাইবে অন্ত।
সহস্ৰ বদনে যদি কহন্ত অনন্ত।।
নপাইবে গুণৰ তথাপিতো পৰিমিত।
তাকো গণিবাক লাগি যিটো দেই চিত্ত।।২৩৫।।
সিটো মন্দমতি জ্ঞান শূন্য সমুদায়।
সাগৰকো কাঠি দিয়া জুখিবাক চায়।।
পৃথিৱীৰ ধূলি যিটো গণে কদাচিত।
কৃষ্ণৰ গুণক সিটো নপাৰে গণিত।।২৩৬।।
জগত ঈশ্বৰ যিটো অনন্ত মহিমা।
আপুনো নজানে মায়া বৈভৱৰ সীমা।।
গণি সংখ্যা কৰিবে শকতি আছে কাত।
তথাপি সংক্ষেপি কিছু কহিবো তোহ্মাত।।২৩৭।।
শুনা সাৱধানে কহো কৃষ্ণৰ চৰিত্ৰ।

হৌক মোৰ তনু মন বচন পৱিত্ৰ।।
কৃষ্ণ কথা শুনা আৰে সৱে সভাসদে।
গৃহে থাকি খায়া দায়া পৰম সুখদে।।২৩৮।।
নাহি ধন হানি শৰীৰতো কিছু শ্ৰম।
কৰ্ণৰো অমৃত শুনিবাক সুখতম।।
এতেকতে যতেক পাতক হোৱে ক্ষয়।
উপজে পৰম পুণ্য মিলে মহোদয়।।২৩৯।।
কৃষ্ণৰ চৰণে মিলে মহা প্ৰেমভাৱ।
কি কহিবো ইটো কৃষ্ণ কথাৰ প্ৰভাৱ।।
দুৰ্ল্লভ মনুষ্য তনু নপাইবা দুনাই।
চিন্তামণি জন্ম হেৰা হাততে হৰাই।।২৪০।।
ইহাক নেদেখা মায়া মোহে হুয়া অন্ধ।
কৰা কৃষ্ণ কথা মধুপানক প্ৰৱন্ধ।।
সংসাৰ ব্যাধিৰ ইসে ঔষধ প্ৰধান।
বিষয় অপত্য তেজি ঝাণ্টে কৰা পান।।২৪১।।
আলোচন্তে অন্তকে সাধিবে সৱে কাম।
জানিয়া ঘুষিয়ো নিৰন্তৰে ৰাম ৰাম।।২৪২।।

**।।দুলড়ী।।**

পঞ্চ মহাভূতে প্ৰভু নাৰায়ণ
নিৰ্ম্মিয়া ব্ৰহ্মাণ্ড কায়।
প্ৰথমে পুৰুষ অৱতাৰ হুয়া
পশিলা যাত লীলায়।।
যাহাৰ ইন্দ্ৰিয়ে জীৱৰ ইন্দ্ৰিয়ে
যাৰ জ্ঞানে ভৈলা জ্ঞান।
যাহাৰ নিশ্বাসে ইন্দ্ৰিয় দেহৰ
হোৱে চেষ্টা বল প্ৰাণ।।২৪৩।।
যাৰ শৰীৰত আছে ত্ৰিভুৱন
পৃথিৱী পাতাল স্বৰ্গ।
যিটো সত্ব আদি তিনি গুণ এৰে
কৰে স্থিতি লয় স্বৰ্গ।।
ৰজো গুণে ব্ৰহ্মা সত্ব গুণে বিষ্ণু
তমো গুণে ৰুদ্ৰ হয়।
তিনি মূৰ্ত্তি ধৰি প্ৰজাক সততে
কৰা সৃষ্টি স্থিতি লয়।।২৪৪।।
তেহেন্তে পুৰুষ অৱতাৰ তান
কৰিলো কৰ্ম্ম বিদিত।
শুনা নিমি আৰু নৰ নাৰায়ণ
অৱতাৰ বিপৰীত।।
দক্ষৰ দুহিতা মূৰ্ত্তি নামে তেহোঁ
ভৈলন্ত ভাৰ্য্যা ধৰ্ম্মৰ।
তান্তে জাত ভৈলা অৱতাৰ হুই
নাৰায়ণ আৰো নৰ।।২৪৫।।
যিটো কৰ্ম্মে কৰে কৰ্ম্মক নিৰ্ম্মূল
কৰে আত্ম পৰিচয়।
নাৰদ প্ৰমুখ্যে মুনিত তাহাক
কহিলন্ত কৃপাময়।।
বদৰিকাশ্ৰমে আছন্ত অদ্যাপি
পৰম তপ আচৰি।
যাৰ পাদ পদ্ম অৰ্চ্চন্ত আজিয়ো
অনেক ঋষি সাদৰি।।২৪৬।।

তপৰ প্ৰভাৱে প্ৰকাশে শৰীৰ
সম্যকে সূৰ্য্য সঙ্কাশ।
হেন দেখি পাচে ইন্দ্ৰৰ মনত
মিলল পৰম ত্ৰাস।।
ত্ৰৈলোক্য সম্পদ লৈবে লাগি ঋষি
কৰে হেন তপ ঘোৰ।
জানিলো দুৰ্জ্জয় ঋষিৰ নিদানে
সৰ্ব্বনাশ হৈবে মোৰ।।২৪৭।।
কৰিল আদেশ মদনক চাই
চলিয়ো তুমি অনঙ্গ।
নৰ নাৰায়ণ ঋষিৰ তপস্যা
সত্বৰে কৰিয়ো ভঙ্গ।।
মলয় পৱন কোকিল বসন্ত
আহ্মাক তুমি উদ্ধাৰা।
মদনৰ সঙ্গে চলিয়ো সত্বৰে
যত আছা অপেশ্বৰা।।২৪৮।।
ইন্দ্ৰৰ আদেশে মদন লৰিলা
লৈয়া নিজ পৰিবাৰ।
যত অপেস্বৰী লৰিলা প্ৰৱন্ধে
পিন্ধি দিব্য অলঙ্কাৰ।।
ঋষিৰ সমীপে পাতিলন্ত নৃত্য
পৰম ৰঙ্গে অনঙ্গ।
সুললিত গীত গাৱে বিদ্যাধৰে
গন্ধৰ্ব্বে ঠুঙ্কে মৃদঙ্গ।।২৪৯।।
বহে মন্দ বায়ু বসন্ত মিলিল
কোকিলৰ কুহু নাদ।।
পুষ্পৰ সুৰভি গন্ধে আমোদিত
মদনে কৰে উন্মাদ।।
অপেশ্বৰী সৱে কটাক্ষে নিৰেখি
ঋষিক কৰে সন্ধান।
নজানি ঈশ্বৰ ভাৱক মদনে
প্ৰহাৰে কুসুম বাণ।।২৫০।।

**।।ছবি।।**

দেখিয়া ইন্দ্ৰ মায়া মহাঋষি নাৰায়ণ
নকৰিলা কটাক্ষো কিঞ্চিত।
থাকিলন্ত ধৈৰ্য্য ধৰি যেন মহা মেৰুগিৰি
তপত নিবিড় কৰি চিত্ত।।
পৰম সভয় মন ভৈলা দেখি দেৱগণ
হিয়াত মিলিল মহাত্ৰাস।
স্থিৰ নোহে হাত ভৰি কাম্পে তনু তৰতৰি
ঋষিশাপে হৈবো সৰ্ব্বনাশ।।২৫১।।
পাচে প্ৰভু নাৰায়ণ দেখন্ত দেৱতাগণ
মৰৈ যেন ভয়তে সমূলি।
দায়ায়ে লগাইলা মাত নিষেধন্ত তুলি হাত
নকৰা নকৰা ভয় বুলি।।
মদন মাৰুত হেৰা শুন সৱে অপেস্বৰা
কৰিয়ো আহ্মাৰ অনুকুল।
স্বৰ্গহন্তে আইলা সাজি হুয়োক অতিথি আজি
আশ্ৰমৰ ভুঞ্জা ফল মূল।।২৫২।।

সৱাকো কৰিয়া দয়া পৰম নিৰ্ভয় দিয়া
যেৱে হেন বুলিলা বিশ্বাস।
মুণ্ডত বুলাইলা হাত মুখত বজাইলা মাত
দেৱগণে তেজিলেক ত্ৰাস।।
কৰি পাচে চিত্ত স্থিৰ লজ্জাভাৱে নমাই শিৰ
বোলে বাক্য কৰি নমস্কাৰ।
হৃদয়ে নভৈল ক্ষোভ নকৰিলা স্ত্ৰীক লোভ
ইটো কোন আশ্চৰ্য্য তোহ্মাৰ।।২৫৩।।
যত মহা জ্ঞানবৃদ্ধ দেৱ মুনি সুৰ সিদ্ধ
তোহ্মাকেসে সেৱে দমাই মাথ।
জিনিয়া দুৰ্জ্জয় মায়া আহ্মাকো কৰিলা দয়া
কিনো ক্ষমাশীল জগন্নাথ।।
যিটো তোহ্মাকে সেৱে দেখি ইন্দ্ৰ আদি দেৱে
অনেক বিঘিনি কৰে তাত।
আহ্মাক লঙ্ঘিয়া যাই বৈকুণ্ঠত লৱে ঠাই
এহি বুলি মিলাৱে বিঘাত।।২৫৪।।
নভজে তোহ্মাৰ পাৱে যাৰ পূজা খাইবে পাৱে
নকৰে বিঘিনি কিছু তাক।
তোহ্মাৰ মায়ায়ে অন্ধ নিবিচাৰে ভাল মন্দ
কি কহিবো দেৱ বিচেষ্টাক।।
ভকতে তোহ্মাত গয় তিলেকো নকৰে ভয়
আপুনি ৰক্ষক তুমি হৰি।
নিশ্চয়ে কহিলো সাৰ ইন্দ্ৰ আদি দেৱতাৰ
বিঘ্নিৰ মুণ্ডত দেই ভৰি।।২৫৫।।
তোহ্মাত নকৰে ৰতি তপতেসে কৰে মতি
শুনা যেন তাহাৰ অৱস্থা।
ক্ষুধাতৃষ্ণা মোহ কাম অপাৰ সাগৰ সম
এসম্বাকো তৰিয়া সৰ্ব্বথা।।
তথাপিতো মুঢ়মতি ক্ৰোধে বৰ হুয়া আতি
গো খোজত যেন মজে পাচে।
তপ ধৰ্ম্ম ব্ৰত কষ্ট ব্যৰ্থে সৱে কৰে নষ্ট
তাত পৰে কোন মন্দ আছে।।২৫৬।।
যেন মাথে বোজা লৈয়া অথায় জলে নামে গৈয়া
উটে বোজা নাপাৱে উমান।
সেহিমতে পুণ্য ব্ৰত আজন্মে সাঞ্চলে যত
ক্ৰোধে কৰে সৱাকো নিৰ্য্যাণ।।
তোহ্মাত বিমুখ যিটো জীৱন্ততে মৰা সিটো
আত্মঘাতী পৰম দুৰ্ম্মতি।
আমি হেৰা নমাই মাথ প্ৰণামো জগতনাথ
জন্মে জন্মে তুমি হৈবা গতি।।২৫৭।।

**।।দুলড়ী।।**

শুনা সভাসদ ভাগৱত পদ
হুয়া আতি নিশৱদ।
পাপ হোৱে ক্ষয় মিলে মহোদয়
খণ্ডয় দুখ আপদ।।
আছে পুণ্য যত কৃষ্ণৰ কথাত
সিজনেসে পাতে কাণ।
সুচী যেন তাৰে শুনিবে নাপাৰে
পাতকী যিটো প্ৰধান।।২৫৮।।
সেহিসে অসুৰ সেহিসে পশুৰ
সদৃশ জীৱন ধৰে।
কৃষ্ণক নভজি অমৃতক তেজি
যেন বিষ ভুঞ্জি মৰে।।
আৰে বুদ্ধ লোক যাইবা পৰলোক
কোন গতি হৈব পাচে।
কৃষ্ণৰ চৰণ কৰিয়ো স্মৰণ
যাৱত চেতন আছে।।২৫৯।।
ছাৰি আন কাম কৃষ্ণ গুণ নাম
বুলিয়ো বাক্যে প্ৰকাশি।
এতেকে সহায় হৈব যদুৰায়
মৰণ সঙ্কটে আসি।।
পৰম বান্ধৱ ঈশ্বৰ মাধৱ
তাঙ্ক নকৰিয়ো হেলা।
তান্তে দিয়া মন অথিৰ জীৱন
কৈক যাই কোন বেলা।।২৬০।।
বিষয় নিকাৰ পায়া বাৰম্বাৰ
তথাপি নাছাৰৈ ধান্ধা।।
কৃষ্ণ গুণ যশ পৰম সৰ্ব্বস
জানি সৱে গলে বান্ধা।।
দুৰ্ঘোৰ সংসাৰ আত নাহি পাৰ
স্মৰিও হৰিৰ নাম।
ছাৰিয়া সোপন ধৰিয়ো চেতন
ডাকি বোলা ৰাম ৰাম।।২৬১।।

**।।পদ।।**

দ্ৰুমিল বদতি ৰাজা শুনা অনন্তৰ।
কামদেৱ আদি যত ইন্দ্ৰ অনুচৰ।।
এহিমতে স্তুতি যেৱে কৰন্তে আছয়।
শুনা তাসম্বাৰ যেন মিলিলা বিস্ময়।।২৬২।।
গুণন্ত মনত কৃপাময় দেৱহৰি।
ৰূপৰ দৰ্পত ইটো যত অপেশ্বৰী।।
আহ্মাক মোহিবে আইলা এৰি স্বৰ্গপুৰ।
তাসম্বাৰ আজি ৰূপ দৰ্প কৰো চূৰ।।২৬৩।।
হেন মনে গুণি পাচে প্ৰভু নাৰায়ণ।।
দেখাইলা সাক্ষাতে অসংখ্যাত নাৰীগণ।।
ষোড়শ বয়সী নিৰূপমা ৰূপৱতী।
প্ৰত্যেকে দেখিয় যেন লক্ষ্মী মুৰ্ত্তি সতী।।২৬৪।।
কঙ্কণ কেয়ুৰ জ্বলে দেহ হেমহাৰে।
চিকি মিকি কৰে ৰত্নময় অলঙ্কাৰে।।
কৰ্ণে দোলে মণিময় মকৰ কুণ্ডল।
পূৰ্ণশশী সম জ্বলে বদন মণ্ডল।।২৬৫।।
সুন্দৰ দেৱাঙ্গ বস্ত্ৰ অঙ্গে পৰিধান।
সমস্তে পদ্মিনী শৰীৰত পদ্ম ঘ্ৰাণ।।
কটাক্ষে ত্ৰৈলোক্য মোহে ৰূপে নিৰূপমা।
ওচৰো নপাৱে ৰূপে ৰম্ভা তিলোত্তমা।।২৬৬।।
কৰে সেৱা নাৰায়ণ ঋষিক আৱৰি।
বিঞ্চে কতো ধৱল চামৰ হাতে ধৰি।।
অনুৰাগে কামিনী কুৰালে কতো কেশ।
আগত যোগাৱে কতো বিৱিধ সন্দেশ।।২৬৭।।
কতো গন্ধ চন্দন সুন্দৰী ঘসে গাৱে।

কর্পূৰ তাম্বুল কতো যুৱতী যোগাৱে।।
আগত লগাৱে ধূপ সুৰভি সুৱাস।
কৰাৱে সুন্দৰী কতো দিব্য পুষ্প লাস।।২৬৮।।
আছে কত ৰমণী ৰমণ প্রেমে মজি।
আছন্ত ঈশ্বৰ কাৰো গাৱত আৱজি।।
নিৰিখন্ত নয়নে বয়নে অল্প হাস।
কৰন্তে আছন্ত শক্র কোটিৰ বিলাস।।২৬৯।।
কতো গজগতি কৰে লীলা লয়লাস।
কতো পাৱ ঝাণ্টে মাতে কতো পৰিহাস।।
কতো সুললিত গীত গাৱে তাল ঠুকি।
কতো কতো দিব্য যন্ত্র বজাৱে উৎসুকি।।২৭০।।
মধুৰ মৃদঙ্গ বাদ্য বাৱে কত ৰঙ্গে।
কতোহো কামিনী নাচে মহা অঙ্গে ভঙ্গে।।
বাজে ৰুণ-ঝুন কৰি কেয়ুৰ কঙ্কণ।
কাম আদি দেৱৰ দেখিয়া লোভে মন।।২৭১।।
পদ্মৰ সৌৰভ শৰীৰত পায়া ঘ্রাণ।
ভৈল মহা মোহ হৰিলন্ত শ্রুতি জ্ঞান।।
বিদ্যাধৰীসৱো পদ্মিনীক পায়া দেখা।
ভৈলা আতি মোহ পুৰুষৰ কোন লেখা।।২৭২।।
পৰম নিঃশ্রীক দেখি যত অপেশ্বৰা।
পূর্ণচন্দ্র উদয়ে নজ্বলে যেন তৰা।।
আদিত্যৰ আগত বাতিৰ জ্যোতি নাই।
ভৈলা সৱে সেহি মতে মৃতক পৰাই।।২৭৩।।
ৰমণীসৱৰ ৰূপ গুণ শুনি তয়।
শ্রীহত ভৈল সৱে দেৱ দেৱীচয়।।
চাহিবাক নপাৰিয়া নমাই আছে মাথ।
বোলন্ত সৱাকো মাতি পাচে জগন্নাথ।।২৭৪।।
শুনা অপেস্বৰা হেৰা মাৰুত মদন।
নিয়ো আসম্বাৰ বাছি দিলো একজন।।
শুনিয়া মদনে বোলে নলাগে নলাগে।
থাকিবাৰো যোগ্য নোহো তাসম্বাৰ আগে।।২৭৫।।
দিয়োক বিদায় মিছা নপাতা জঞ্জাল।
পিন্ধাইবাক চাহা বানৰক হাৰ মাল।।
বুলিলন্ত হৰি কতোবেলি চাহি হাসি।
আপোনাৰ সদৃশ জনকে নিয়া বাছি।।২৭৬।।
শুনিয়া মদনে বোলে নিৰেখি নিৰেখি।
আম্হাৰ সমান ৰূপ জনেকো নেদেখি।।
হাসিয়া বোলন্ত আত নাহিকে দূষণ।
নিয়োক জনেক হৌক স্বৰ্গৰ ভূষণ।।২৭৭।।
এহি হৌক বুলি ফৌজে সমে কামদেৱ।
কৰিলা সপটে পৰি কেশৱক সেৱ।।
উৰ্ব্বশী নামত নাৰী আতি ৰূপৱতী।
তাঙ্ক আগ কৰি সৱে গৈলা অম্রাৱতী।।২৭৮।।
আছন্ত বাসৱ বসি সুধৰ্ম্মা সভাত।
দশ দিকপাল দেৱসৱ অসংখ্যাত।।
সৱাকে শুনায়া বোলে ইন্দ্রক প্রণামি।
আজি মহাভাগ্যেসে নিস্তৰি আইলো আমি।।২৭৯।।
নাৰায়ণ ঋষিৰ মহিমা যত যত।
প্রকটি কহিলা সৱে ইন্দ্রৰ আগত।।
শুনি আতি ত্রাস ভৈলা মিলিলা বিস্ময়।
কথাতে কম্পিলা ইন্দ্র দেৱৰ হৃদয়।।২৮০।।
নাৰায়ণ মহিমা শুনন্তে ভয় ভীতি।
উৰ্ব্বশীক দেখি ইন্দ্র ভৈলা মহা প্রীতি।।

**।।অৱতাৰ-তত্ব কথন।।**

দ্রুমিল বদতি ৰাজা শুনিলা সাম্প্রত।
নাৰায়ণ দেৱৰ মহিমা যত যত।।২৮১।।
কহোঁ আৰে শুনা আৰো অৱতাৰ কথা।
এহিসে পৰম ধৰ্ম্ম জানিবা সৰ্ব্বথা।।
ব্রহ্মাৰ তনয় সৱে পুছিলা ব্রহ্মাক।
কহিয়োক পিতৃ আত্মতত্ব বুলি যাক।২৮২।।
কি কহিবে নজানন্ত ব্রহ্মায়ো সম্প্রতি।
ভৈলা লাজে অধোমুখ পাচে প্রজাপতি।।
হেন দেখি মহাহৰি হংস ৰূপ হুয়া।
উড়িয়া পৰিল সত্য লোকক কম্পায়া।।২৮৩।।
যেন শুক্ল পৰ্ব্বতেক প্রৱেশি তথাত।
কহিলন্ত আত্মতত্ব ব্রহ্মাৰ সভাত।।
দত্তাত্রেয় নামে হুয়া অত্রিৰ তনয়।
জ্ঞান দানে নিস্তাৰিলা অলৰ্ক হৈহয়।।২৮৪।।
যদু নৃপতিত ইটো আত্মতত্ব কৈলা।
তিনিয়ো ৰাজাৰ কৰ্ম্মবন্ধ চেদ ভৈলা।।
ব্রহ্মাৰ মানস আসি ভৈলা অৱতাৰ।
জগত প্রসিদ্ধ সিদ্ধ সনত কুমাৰ।।২৮৫।।
কহিলা ঈশ্বৰ জ্ঞান পৃথু নৃপতিত।
পৃথুৰ প্রসাদে ভৈলা জগত বিদিত।।
ভৈলন্ত ঋষভ নামে নাভিৰ তনয়।
আম্হাৰ জনক যাক জগতে জানয়।।২৮৬।।
নাৰায়ণ আপুনি লীলায়ে অৱতৰি।
ভূমি পৰ্য্যটিলা জড় যোগচৰ্য্যা ধৰি।।
সমস্ত বেদক দৈত্যে নিলা চুৰি কৰি।
দেখি হৰি হয়গ্রীৱ ৰূপে অৱতৰি।।২৮৭।।
দুষ্ট মধু দৈত্যক কৰিলা কন্ধ চেদ।
পাতালপুৰৰ হন্তে উদ্ধাৰিলা বেদ।।
মৎস্যৰূপে অৱতৰি পুৰুষ পুৰাণ।
পৃথিৱী নৌকাত তোলাই শস্যৰ বিধান।।২৮৮।।
কৰিয়া নিস্তাৰ সিটো সত্যব্রত ৰায়।
প্রলয় জলত প্রভু তাড়িলা লীলায়।।
বৰাহ স্বৰূপে ভৈলা ভয়ঙ্কৰ কায়।
মহা মেৰু গিৰি যাৰ খুড়াতে লুকায়।।২৮৯।।
আনিলা ভূমিক তুলি ৰসাতল হন্তে।
হিৰণ্যাক্ষ বীৰক মাৰিলা ছিৰি দান্তে।।
ধৰিলন্ত হৰি আৰো কুৰ্ম্ম অৱতাৰ।
জম্বু দ্বীপ সম আতি শৰীৰ বিস্তাৰ।।২৯০।।
ধৰিলা মন্দৰ গিৰি প্রভু পিঠি পাতি।
দেৱাসুৰে অমৃত মথিলা ৰঙ্গে আতি।।
গজেন্দ্রক মহা গ্রাহে গিলে বলে ধৰি।
কৰিলা হৰিক স্তুতি আৰ্ত্তনাদ কৰি।।২৯১।।
ভকতৰ দুখ দেখি নসহে হৃদয়।
গৰুড়ক এৰি জাম্প দিলা কৃপাময়।।
গ্রাহে সমে টানি তুলি তৰক মুৰাৰি।
চক্রে চিড়িলন্ত দুই গ্রাহৰ কৰাৰি।।২৯২।।
গজ শৰীৰতে মোক্ষ দিলা হৃষীকেশ।

চতুৰ্ভুজ ৰূপে ভৈলা বৈকুণ্ঠে প্ৰবেশ।।
বালখিল্য ঋষিসৱ আতি অল্পকায়।
পৰি গো-খোজক দেখে সাগৰ পৰাই।।২৯৩।।
উটে বুৰে তল যাই গো-খোজৰ জলে।
বাসৱে হাসিলা আসি মহা কৌতুহলে।।
অঙ্গুষ্ঠ প্ৰমাণ বালখিল্য মুনিগণ।
যজ্ঞ কাষ্ঠ আনিবাক প্ৰৱেশিলা বন।।২৯৪।।
আসন্তে পথত দেখে গো-খোজৰ জল।
পাৰ হৈবে খোজন্তে সমূলে গৈলা তল।।
পলাশ পত্ৰৰ শিৰ বোজা মস্তকত।
দেখিয়া হাসিলা ইন্দ্ৰ আনন্দে মনত।।২৯৫।।
উটি বুৰি ফুৰে শ্ৰুতি বুদ্ধি ভৈলা হত।
ত্ৰাহি হৰি বুলি সৱে স্মৰন্ত মনত।।
দেখি নাৰায়ণে হুয়া হৰি অৱতাৰ।
কৰিলা সৱাকে সেহি আপদে উদ্ধাৰ।।২৯৬।।
বৃত্ৰ বধে বাসৱৰ ব্ৰহ্মবধ ভৈলা।
সেহি ভয়ে স্বৰ্গ এৰি ইন্দ্ৰ পলাই গৈলা।।
অনন্তৰে লৈলা হৰি চৰণে শৰণ।
সেহি সঙ্কটত তাক কৰিলা তাৰণ।।২৯৭।।
এক সময়ত দেৱ ৰমণী যতেক।
অসুৰৰ গৃহে বন্দী হুয়া আছিলেক।।
কেৱলে অনাথা হুয়া কৰন্ত ক্ৰন্দন।
মুক্ত কৰা জগন্নাথ এ ঘোৰ বন্ধন।।২৯৮।।
এহি বুলি শৰণ পশিলা অকপটে।
কৃপা কৰি তাসম্বাক ৰাখিলা সঙ্কটে।।
দানৱৰ ইন্দ্ৰ ভৈলা হিৰণ্যকশিপু।
পৰম দুৰ্জ্জন জগতৰে মহা ৰিপু।।২৯৯।।
দেৱৰ সৰ্ব্বস্ব সৱে হৰি নিলা বলে।
ভাল ভাল স্ত্ৰীকো হৰি আনিলা নিস্থলে।।
পলাই নপাৰে পুৰী ভয়ে দেৱগণ।
ত্ৰাহি হৰি বুলি লৈলা কৃষ্ণত শৰণ।।৩০০।।
নৰসিংহ স্বৰূপে অভয় দান দিয়া।
নখে বিদাৰিলা হৰি হিৰণ্যৰ হিয়া।।
প্ৰত্যেক মনুৰ লগে প্ৰভু ভগৱন্ত।
অসুৰক যুদ্ধে মাৰি দেৱক ৰাখন্ত।।৩০১।।
স্মৰণে খণ্ডয় মহা মহা উতপাত।
ভকত বৎসল দেৱ কেশৱ সাক্ষাত।।
কলা ৰূপে কৃষ্ণদেৱ ধৰি অৱতাৰ।
জগতক পালন কৰন্ত বাৰম্বাৰ।।৩০২।।
বলি ৰাজা বলে জিনি লৈলা ত্ৰিভুৱন।
দেৱতাৰ দুখ দেখি প্ৰভু নাৰায়ণ।।
বামন স্বৰূপে সৱে দেৱতাক লাগি।
ভিক্ষা ছলে বলিৰ ত্ৰৈলোক্য লৈলা মাগি।।৩০৩।
অদিতি মাতৃৰ বাক্য কৰি প্ৰতিপাল।
বলিক আনন্দে দিলা সুতল পাতাল।।
স্বৰ্গতো অধিক সিটো বিতোপন পুৰ।।
কৃষ্ণৰ প্ৰসাদে তাঙ্ক পাইলেক অসুৰ।।৩০৪।।
সুতলত স্থান হৰি দিলন্ত বলিক।
মহা দিব্যপুৰী সিটো স্বৰ্গতো অধিক।।
পৰম ঈশ্বৰ মূৰ্ত্তি কৰে ধৰি গদা।
বলিক সন্মুখ হুয়া থাকন্ত সৰ্ব্বদা।।৩০৫।।
জগত জুৰিল কায় বলি মাত্ৰ দেখে।
ফুটিল কটাহ তান চৰণৰ নখে।।
পাদোদকী গঙ্গা কৰে জগত পৱিত্ৰ।
কি কহিবো বামনৰ পৰম চৰিত্ৰ।।৩০৬।।
ভৈলা আসি পৰশুৰাম নামে অৱতাৰ।
নিঃক্ষত্ৰী কৰিলা ভূমি তিনি সাতবাৰ।।
বহ্নি যেন কৰিলা দুষ্টৰ কুল দাহ।
বঢ়াইলন্ত মহন্তৰ পৰম উৎসাহ।।৩০৭।।
ভূতকাল অৱতাৰ কহিলো নৃপতি।
বৰ্তমান অৱতাৰ শুনিয়ো সম্প্ৰতি।।
কৰিলা ৰাৱণে জগতকে অপকাৰ।
দেৱতাৰ মধ্যত লাগিল হাঁহাকাৰ।।৩০৮।।
দেখিয়া জন্মিলা ৰাম দশৰথ ঘৰে।
সীতাৰ নিমিত্তে সেতু বান্ধিলা সাগৰে।।
সবংশে ৰাৱণ মাৰি দেৱক তাড়িলা।
অযুত বৎসৰ ৰাজ্য আনন্দে কৰিলা।।৩০৯।।
আজিও ভুঞ্জন্ত ৰাজ্য ৰামে অযোধ্যাত।
বৰ্তমান অৱতাৰ কহিলো তোম্মাত।।
অযোধ্যাৰ প্ৰাণী মানে স্বৰ্গপুৰে নিলা।
অতি অদভুত কীৰ্ত্তি লোকত ৰাখিলা।।৩১০।।
শুনিয়ো পাচত হৈব যিটো অৱতাৰ।
দৈত্যসৱ হৈৱে পৃথিৱীৰ মহা ভাৰ।।
হেন দেখি লগে লৈয়া সহায় অনন্ত।
দেৱকিত জন্মিব আপুনি ভগৱন্ত।।৩১১।।
সি কাৰণে লগে লৈয়া দেৱ সঙ্কৰ্ষণ।
যদুকুলে জন্মিবন্ত প্ৰভু নাৰায়ণ।।
কংস ভয়ে ছলে পাচে গোকুলক যায়।
দেৱৰো দুৰ্লভ কৰ্ম কৰিব তথায়।।৩১২।।
পুতনা শোষণ তৃণাৱৰ্ত্ত বিনাশন।
কেশী কংস চাণুৰাদি কৰিব নিধন।।
পিতৃক মাতৃক আতি কৰিব মিনতি।
পাতিবন্ত পাচে উগ্ৰসেনক নৃপতি।।৩১৩।।
নৰক পৌণ্ড্ৰক শাল্ব শিশুপাল আদি।
সৱাকে নাশিব যত ধৰ্ম্মৰ বিবাদী।।
নিৰ্ম্মিয়া দ্বাৰকাপুৰী সাগৰৰ জলে।
নিবা তৈকে মথুৰাৰ প্ৰজা যোগবলে।।৩১৪।।
যদুবংশে সমে তৈতে বঞ্চিব হৰিষি।
ষোড়শ হাজাৰ হৈব কৃষ্ণৰ মহিষী।।
সৱাতো হৈবেক জাত দ্বাদশ তনয়।
দেৱাসুৰ মনুষ্যৰ সৱাৰো দুৰ্জ্জয়।।৩১৫।।
বংশ সমে সৱে সংহৰিয়া ভূমি ভাৰ।
ভকত জনৰ আৱে খণ্ডিব নিকাৰ।।
সমস্ত লোকৰে কৃষ্ণে সাধিবা মুকুতি।
ব্ৰহ্মা আদি দেৱগণে কৰিবন্ত স্তুতি।।৩১৬।।
থৈবা আপুনাৰ যশে জগতকে ভৰি।
বৈকুণ্ঠে চলিব দুনাই বংশক সংহৰি।।
আত অনন্তৰে হৈব বুদ্ধ অৱতাৰ।
অনেক পাষণ্ড শাস্ত্ৰ কৰিব প্ৰচাৰ।।৩১৭।।
বেদ পথ এৰি যজ্ঞ কৰিব অসুৰ।
বাদে বিমোহিয়া কৰিবন্ত যজ্ঞ দূৰ।।
অসুৰ স্বভাৱ হৈব মনুষ্য যতেক।

ধৰাইব পাষণ্ড পথ তাহাকো প্ৰত্যেক।।৩১৮।।
মোহ হুয়া ভকতিক কৰিব ধিক্কাৰ।
আনসে কৰিব কৰ্ম্ম হুয়া অনাচাৰ।
হৰি বিমুখক মুহি ভ্ৰমিব ভূমিত।
নচাহিব লোকে আপুনাৰ হিতাহিত।।৩১৯।।
হৈবেক আকুল ধন নাৰীৰ আক্ৰোশে।
হৰিক হেলিয়া নাশ যাইব এহি দোষে।।
বৈদ বিধি বিমুখ হৈবেক দিনে দিনে।
নহৈব ধৰ্মত মতি অধৰ্ম্মত বিনে।।৩২০।।
ম্লেচ্ছসব হৈব পৃথিৱীৰ অধিকাৰ।
নকৰিব সুখ দুখ বিচাৰ প্ৰজাৰ।।
লোভ মোহে আকুল নচাইবে গুণ দোষ।
সদায়ে কৰিব মাত্ৰ ধনত আক্ৰোশ।।৩২১।।
হৈব দুষ্ট মন্ত্ৰী তাৰ ধৰিব বচন।
ধনৰ নিমিত্তে যেন খাৱে প্ৰজাগণ।।
এৰিবে আচাৰ বেদপথ হৈব লোপ।
হেন দেখি ঈশ্বৰৰ হৈব মহা কোপ।।৩২২।।
কলিৰ শেষত কল্কী ৰূপে অৱতৰী।
দুৰ্জ্জন ৰাজাক মানে বিনাশিব হৰি।।
ঘোড়াত চড়িয়া তীক্ষ্ণতৰ খাণ্ডা ধৰি।
কাটি ছিণ্ডি পাষণ্ডক পেল্লাইব সংহৰি।।৩২৩।।
আশ্বাসিব আনিয়া ভকত যত আছে।
কলিৰ অন্তত সত্য প্ৰৱৰ্ত্তাইব পাছে।।
মাধৱৰ জন্ম কৰ্ম্ম কহিলো নৃপতি।
ইহাৰেসে শ্ৰৱণ কীৰ্ত্তনে সাধে গতি।।৩২৪।।
আত পৰে মহাধৰ্ম্ম নাহি নাহি আৰ।
কৰিবা বাক্যত আৱে বিশ্বাস আহ্মাৰ।
নথৈবা মনত তুমি সংশয় কিঞ্চিত।
বুলিয়োক আৰো কিবা শুনিবাক চিত্ত।।৩২৫।।
শুনা সামাজিক জন কেশৱৰ কথা।
বিষয়ৰ অৰ্থে জন্ম নকৰিয়ো বৃথা।।
কাঁচৰ কাৰণে যেন তেজয় মাণিক।
জানি সাধুজনে যত্নে ভজিয়ো হৰিক।।৩২৬।।
পিতৃ মাতৃ হৰিসে হৰিসে বন্ধু সাৰ।
হৰিসে সুহৃদ নিজ আত্মা আপুনাৰ।।
ইহ পৰলোকত হৰিক পাইবা লাগ।
যথা যায় তথা হৰি হোন্ত সাতো আগ।।৩২৭।।
হেন বন্ধু মাধৱক অৱহেলি আমি।
কৰিলো আপুনি আপুনাক অধোগামী।।
জানি শুনি এতেক তথাপি নপাওঁ সাক্ষী।
দেখিয়ো নেদেখো যেন খাইলো দুই আখি।।৩২৮।।
দুৰ্জ্জন মনৰ সঙ্গে ভৈলো সৰ্ব্বনাশ।
নকৰিলো প্ৰাণ প্ৰভু তোহ্মাত বিশ্বাস।।
আপুনি উদ্ধাৰ কৰা কৃপাময় মোক।
বোলা ৰাম ৰাম যত সামাজিক লোক।।৩২৯।।

**।।ছবি।।**

পুনৰপি পুছিলন্ত নৃপতি প্ৰণতি কৰি
শুনিয়োক সৱে মহামুনি।
হৰিৰ ভকত সৱে বিম্নিৰ মুণ্ডত ভৰি
দিয়া ফুৰে কহিলা আপুনি।।
যিটো সৱে ইন্দ্ৰিয়ক জিনিবাক নপাৰয়
ভোগত অধিক আসকতি।
কৃষ্ণত ভকতি হীন ব্যৰ্থে আয়ু কৰে ক্ষীণ
কৈয়ো তাসম্বাৰ যেন গতি।।৩৩০।।

**।।চতুৰাশ্ৰম কথন।।**

শুনিয়া চমস সিদ্ধে সম্বুধি সিদ্ধান্ত দেন্ত
কহোঁ কথা তোহ্মাত সম্প্ৰতি।।
হৰিত নাহিকে মতি নকৰে ভকতি ৰতি
শুনা যেন তাহাৰ বিপত্তি।।
মাধৱেসে নিজ পিতৃ ঈশ্বৰ পৰম গুৰু
তাঙ্ক যিটো জনে অনাদৰে।
গুৰু পিতৃ দ্ৰোহ পাপে পাৱে আতি দুৰ্গতিক
সিটো মহা অধম পামৰে।।৩৩১।।
কৃষ্ণমুখ হন্তে ভৈলা সত্বগুণে বিপ্ৰচয়
সত্বে ৰজে ক্ষত্ৰিয় বাহুত।
ৰজ তম গুণে বৈশ্য জন্মিল উৰুৰ পৰা
পদে শূদ্ৰ তমো গুণে জাত।।
চাৰিও জাতিৰ জানা সাক্ষাতে জনক হৰি
তাহাঙ্ক নভজে চিত্ত দিয়া।
অৱজ্ঞা কৰিয়া সিটো যাইবে পাপী অধোগতি
ভ্ৰষ্ট হৈৱে তাৰ কুলক্ৰিয়া।।৩৩২।।
নজানিসি যিটো জনে নভজে কৃষ্ণক তাত
অনুকম্পা কৰা মহাৰথ।
মাতি উপদেশ দিয়া অজ্ঞানীৰ শুদ্ধ হিয়া
ধৰিবেক ভকতিৰ পথ।।
কাক বুলি হৰি কথা হৰিৰ কীৰ্ত্তন কিবা
যিটো সৱে একোৱে নজানে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসৱে অহো প্ৰাণে।।৩৩৩।।
যি জন পণ্ডিত হুয়া ভকতিত নেদে হিয়া
তাৰ কথা কহোঁ সাৰে সাৰ।
নেদিবাহা উপদেশ শুনন্তে পাইবেক ক্লেশ
নাহিকে চিকিৎসা আৰ তাৰ।।
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য বেদমত পায়া আছে
ভকতিত আতি অধিকাৰ।
বেদবাদে বিমোহিত কৰ্ম্মতে সদায়ে চিত
জানা নাহি এতেকে নিস্তাৰ।।৩৩৪।।
কৰিবে নজানে কৰ্ম্ম জানন্তাতো নুপুছয়
মূৰ্খ হুয়া বোলাৱে পণ্ডিত।
বেদৰ মধুৰ বাক শুনন্তে উৎসুক মিলে
কেৱলে কৰ্ম্মত মজে চিত্ত।।
বেদ অভিপ্ৰায় গুঢ় তাহাকো নুবুজে মূঢ়
আনতো কহৱৈ চাটু বাক।
কৰ্ম্ম কৰি যাইবে স্বৰ্গ ভুঞ্জিবে বিৱিধ ভোগ
সেৱিবেক অপেস্বৰা জাক।।৩৩৫।।
কাম ক্ৰোধ লোভ মোহ ৰাগ দ্বেষ অহঙ্কাৰ
অনুদিনে বাঢ়ন্তেসে যায়।
প্ৰাণীৰ বধৰ অৰ্থে লৈয়া ঘোৰ হিংসা ধৰ্ম্ম
কৰৈ তাঙ্কে উৎসাহ বঢ়াই।।
নুহিকয় চিত্তশুদ্ধি কামুক লম্পট আতি

সৰ্পৰ সদৃশ নেড়ৈ ক্রোধ।
হৰি ভকতক দেখি উপহাস্য কৰৈ আতি
সিটো মহা পাতকী দুৰ্ব্বোধ।।৩৩৬।।
স্ত্রী সমে গৃহবাস মৈথুন সুখত আশ
অন্যো অন্যে বোলে প্ৰিয় বাণী।
আজি পাইলো ইটো ধন আৰু হৈবে জত মান
এহি বুলি হাসৈ দুয়ো প্রাণী।।
নজানে দক্ষিণা বিধি পূজাৰো নাহিকে সিদ্ধি
নুগুনৈ প্রাণীৰ হিংসা দোষ।
আপুনি জীৱিকা অৰ্থে পশুগণ মাৰে ব্যৰ্থে
তাতে মিলে মনৰ সন্তোষ।।৩৩৭।।
কুলীন ঐশ্বৰ্য্য ধন দান বিদ্যা ৰূপ বল
ইসৱৰ গৰ্ব্বে অন্ধ মতি।
ঈশ্বৰ সহিতে মহা ভকতক নিন্দা কৰে
সিটো মহা পাপী খল আতি।।
সমস্তে প্রাণীত হৰি আকাশ সদৃশ আছে
তথাপি নোছোৱে দোষ গুণে।
সেৱিলে অভীষ্ট দেন্ত বেদে হেন কহিছয়
মন্দবুদ্ধি ইহাক নুগুনে।।৩৩৮।।
স্ত্রী মদ্য মাংস সেৱা যি শাস্ত্রত কহি আছে
তাক লৈয়া বাদ কৰি মৰে।
মহামূৰ্খ সিটো সৱ ঈশ্বৰক নভজিয়া
পচিবেক নৰক ভিতৰে।।*

**।।দুলড়ী।।**

নমো নমো কৃষ্ণ পদ পঙ্কজক
হৃদয় পদ্মত ধৰি।
মঞি মহাদীন মোক উদাসীন
নকৰিবা প্রাণ হৰি।।৩৩৯।।
হে লক্ষ্মীপতি মহা মূঢ়মতি
মোত পৰে নাহি আন।
তোম্মাৰ চৰণ তেজি পাপী মন
ধনকেসে কৰে ধ্যান।।
ই জন্মতো বাপ নেড়াইলো সন্তাপ
ভাৰত বৰিষ পায়া।
কৈত কাল চোৰে প্রাণ নেই মোৰে
পড়িবে মনুষ্য কায়া।।৩৪০।।
তেজিয়া সকলে চলিবো একলে
দুৰ্ঘোৰ যম কৰণে।
জানিয়া তথাপি নভজো অদ্যাপি
অভয় তযু চৰণে।।
যতেক পঢ়িয়া জানিয়া শুনিয়া
স্থিৰ নোহে মতি মোৰ।
ব্যৰ্থে গৈল জন্ম কৰিছো পৰম
কতনো পাতক ঘোৰ।।।৩৪১।।
কলিত সম্প্ৰতি নভৈল ভকতি
নপাইলো সাধু সঙ্গতি।
মই দুৰ্ব্বিনয় জানি কৃপাময়
আপুনি কৰিয়ো গতি।।
তোম্মাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ
তানে ভৃত্য ভৈলো আমি।
মোক জগন্নাথ নকৰা অনাথ
নেৰিবা বান্ধৱ স্বামি।।৩৪২।।
নেড়ৈ মোৰ মুখে যেন সুখে দুখে
সদায় তোম্মাৰ নাম।
হে কৃষ্ণ প্রাণ দিয়া এহি দান
ডাকি বোলা ৰাম ৰাম।।

**।।পদ।।**

নিগদতি চমস শুনিয়ো নিমি কথা।
হৰি বিমুখৰ আৰো কহিবো ব্যৱস্থা।।৩৪৩।।
কৃষ্ণক নভজি মজি আছে দুৰ্গতিত।
সাঞ্চে মহা যাতনা আপুনি বিপৰীত।।
কৃষ্ণক বিমুখ মানে জানিবা আশয়।
বাঢ়ে লোভ জগতক দেখে ধনময়।।৩৪৪।।
ধৰ্ম্মেসে ধনৰ ফল ইহাক নজানে।
ৰাত্রি দিনে সাঞ্চে বিত্ত যত পাৰে মানে।।
নেদে দান দক্ষিণা নৰাধে মনে হৰি।
পুত্র ভাৰ্য্যা সমে মাত্র ভুঞ্জে পেট ভৰি।।৩৪৫।।
মৃত্যুকো নগণে সিটো ভৈল হত বুদ্ধি।
সকাম কৰ্ম্মৰ আৰো শুনা যেন বিধি।।
স্ত্রী মদ্য মাংসতেসে আকুল হোৱে মতি।
ঈশ্বৰৰ আজ্ঞাক আৰ নুশুনৈ দুৰ্ম্মতি।।৩৪৬।।
দিনে ৰাত্রি চিন্তে মনে নানা মনোৰথ।
আগতে নেদেখে হৰি ভকতিৰ পথ।।
আচৰে সমস্ত ধৰ্ম্ম কৰিয়া প্ৰৱন্ধ।
সিসৱত তথাপি জ্ঞানৰ নাই গন্ধ।।৩৪৭।।
জগতৰ মাজে আছে যত প্ৰাণীগণ।
আপোন ইচ্ছায়ে মাংস কৰয় ভোজন।।
কৰে সদা নাৰী সঙ্গ আৰো মদ্যপান।
ইসৱৰ নাহি জানা শাস্ত্ৰৰ বিধান।।৩৪৮।।
যদি বোলা ইমত দেখিয়া কোন ঠাই।
তাহাৰ বৃত্তান্ত কহো শুনা নিমিৰায়।।
যিটো সৱ জন আছে মায়াত আবৃত।
প্ৰবৃত্তি শাস্ত্রক পঢ়ি সদা ব্যগ্র চিত্ত।।৩৪৯।।
তাসম্বাৰো মাজে যাৰ যেন অধকাৰ।
সেহিমতে কৰিবেক তাক ব্যৱহাৰ।।
বেদে বোলে সুৰাক কৰিবে মাত্র ঘ্ৰাণ।
কদাচিতো নকৰিবে অমদ্যক পান।।৩৫০।।
নমাৰিবে পশুক এড়িবে মাংস আশা।
দেৱকো উদ্দেশি পশু নকৰিবে হিংসা।।
ঋতু সময়ত স্ত্রীক কৰিবে আলাপ।
তাত বাজে নাৰী গমনত সিজে পাপ।।৩৫১।।
ঈশ্বৰৰ আজ্ঞা ইটো যত বেদ বাক।
হৰিত বিমুখ নৰে লঙ্ঘয় ইহাক।।
বেদক নুবুজি সুৰা পাৰেমানে পিৱৈ।
পাৰে মানে পশু মাৰি মাংস খায়া জীৱৈ।।৩৫২।।
হুয়া কামাতুৰ একো দোষক নচাই।
কৰৈ স্ত্রীক আলাপ যেখনে বাঞ্ছা যায়।।
এহিটো বিশুদ্ধি ধৰ্ম্ম কেহো নজানয়।
বৃথা হিংসা ৰতি লোভে নৰকে পৰয়।।৩৫৩।।
অনুদিনে হৃদয়ত বান্ধে পাপমল।

যত কৰ্ম্ম কৰেমানে সকলে বিফল।।
নাহি দেহ দ্ৰব্য শুদ্ধি মিছা ধৰে প্ৰাণ।
দিনে দিনে বাঢ়ে পাপ পৰ্ব্বত সমান।।৩৫৪।।
হৰি বিমুখৰ যেন কহিলো দুৰ্গতি।
শুনা পৰলোকত তাহাৰ বিসঙ্গতি।।
ৰাত্ৰি দিনে কৰৈ মাত্ৰ জীৱক আক্ৰান্তি।
ধৰৈ বিষ্ণু মায়ায়ে নখণ্ডে ভয়-ভ্ৰান্তি।।৩৫৫।।
প্ৰবৃত্তিৰ পথত বেদৰ মত নাই।
কৃষ্ণত বিমুখ হুয়া অধোগতি যায়।।
মহা মূঢ় হুয়া বোলে মঞিসে পণ্ডিত।
বেদে যেন কহিয়াছে তাতো নেদে চিত্ত।।৩৫৬।।
পাইবো মনোৰথ সিদ্ধি মনে হেন মানে।
মোহ হুয়া অনেক পশুক বধে প্ৰাণে।।
পোষৈ পশু পক্ষী কৰৈ সিসৱো বিশ্বাস।
গুচৈ ভয় থাকৈ চাপি গৃহস্থৰ পাশ।।৩৫৭।।
মাতিলে আপুনি খায় হাততে আহাৰ।
তাক যিটো জনে বধে শুনা গতি তাৰ।।
অস্ত্ৰ শস্ত্ৰ ধৰি পশু থাকে বাট চাই।
যেতিক্ষণে সিটো নৰ পৰলোক যায়।।৩৫৮।।
কাটি ছিণ্ডি বেঢ়ি মোছৰয় কতো ঘাৰ।
ডোখৰাডুখৰি কৰি মাংস খায় গাৰ।।
আত্মা ৰূপে ঈশ্বৰ পৰৰ শৰীৰত।
সৰ্ব্বদা আছন্ত তাক নগুণে মনত।।৩৫৯।।
পৰক কৰয় দ্বেষ বৃথা দেহ লাগি।
নৰকত পৰে সিটো পৰম অভাগী।।
পুত্ৰ ভাৰ্য্যা দেহ গেহ ধন আদি যত।
স্নেহে বদ্ধ হোৱে ইটো সৱ শৰীৰত।।৩৬০।।
সাজে ঘৰ বাড়ী কৰি অনেক আয়াস।
অপত্য সুহৃদ ধন বিষয় বিলাস।।
অনিচ্ছায়ে সৱাকো ক্ষণেকে এৰে দুখে।
পৰৈ তমো নৰকত হৰি পৰাঙ্মুখে।।৩৬১।।
মহামূঢ়সৱত নাহিকে অহঙ্কাৰ।
ভকতক পাইলে সিটো হৈৱেক নিস্তাৰ।।
যিটো তত্বজ্ঞানী সদা হৰিকেসে স্মৰে।।
সুধিবে নলাগে সিটো আপুনি নিস্তৰে।।৩৬২।।
নুহি আতি মুৰ্খ কিছু শাস্ত্ৰ আছে জানি।
ভকতিক নধৰে নুহিকে তত্বজ্ঞানী।।
সিটো মধ্যৱৰ্ত্তীসৱ যাইৱে অধোগতি।
নেৰায় কোটি কল্পতো মৰণ উতপতি।।৩৬৩।।
মূৰ্খো নোহে জ্ঞানো নাই বাঞ্ছে স্বৰ্গপথ।
চাৰে মাত্ৰ ধৰ্ম্ম অৰ্থ কাম মনোৰথ।।
নাহি উপশান্তি তাৰ ক্ষণেক হিয়াৰ।
কৰে সিটো চিত্ত বিঘাতন আপুনাৰ।।৩৬৪।।
অজ্ঞানক জ্ঞান বুলি মানিয়াছে মতি।
সিটো আত্মঘাতকীৰ শুনা যেন গতি।।
আনো আত্মঘাতীসৱ যৈত আছে পৰি।
সেহি অন্ধ নৰকক সিটো যায় লড়ি।।৩৬৫।।
কতবা বৰিস ভুঞ্জে যাতনা নিকাৰ।
হৰি বিমুখৰো আৰ নাহিকে নিস্তাৰ।।
শুধিলাহা অভকতে যেন পাৱে গতি।
সমস্তে কহিলো তাক তোহ্মাত সম্প্ৰতি।।৩৬৬।।
হেন জানি নিমি তুমি থিৰ কৰি মতি।
এক চিত্তে আচৰিয়ো হৰিৰ ভকতি।।
কৃষ্ণৰ চৰণে ধৰা সুদৃঢ় বিশ্বাসে।
তড়িবা সংসাৰ ঘোৰ তেৱে অপ্ৰয়াসে।।৩৬৭।।
হেন শুনি প্ৰণিপাতে পুছন্ত নৃপতি।
সুনন্তেয়ো ত্ৰাস হৰি বিমুখৰ গতি।।
ভকতিসে তাড়ে আক জানিলো নিশ্চয়।
ছেদিয়োক মোৰ আৰ মনৰ সংশয়।।৩৬৮।।

**।।ভগৱানৰ বিভিন্ন মূৰ্ত্তি আৰু নাম কথন।।**

কোন যুগে কোন মূৰ্ত্তি পূজি সাধে সিদ্ধি।
কোনবা আকাৰ বৰ্ণ কেন পূজা বিধি।।
কিবা নাম জপিবে কহিৱে একান্ত।
দিলা হেন শুনি কৰভাজনে সিদ্ধান্ত।।৩৬৯।।
সত্য ত্ৰেতা দ্বাপৰ কলিত দেৱহৰি।
অৱতাৰ হোন্ত ভিন্ন ভিন্ন ৰূপ ধৰি।।
নানা বৰ্ণ ভৈলা নানা নাম ৰূপ তাৰ।
আছিল পূজাৰ বিধি বিৱিধ প্ৰকাৰ।।৩৭০।।
শুনিয়োক ৰাজা যিবা যুগৰ বিধান।
সত্যে শুক্ল মূৰুতি বাকলি পৰিধান।
মাথে জটা চাৰিভুজ অজিন উতৰী।
অক্ষমালা দণ্ড কমণ্ডলু আছা ধৰি।।৩৭১।।
মহা ব্ৰহ্মচাৰী বেশ আতি নিৰুপম।
সি কালত লোক শান্ত নিৰ্ব্বিৰ পৰম।।
সততে মনত পূজা কৰে ধৰি ধ্যান।
যিবা নাম জপে তাৰ শুনা পৰিমাণ।।৩৭২।।
হংস পৰমাত্মা ধৰ্ম্ম অব্যক্ত ঈশ্বৰ।
সুপৰ্ণ বৈকুন্ঠ আৰো নাম যোগেশ্বৰ।।
অনন্ত পুৰুষ এই দশ গোটা নাম।
সত্যত মহন্ত লোকে স্মৰে অৱিশ্ৰাম।।৩৭৩।।
ত্ৰেতাত ৰাতুল তনু দেখন্তে সুৱেশ।
যজ্ঞ মূৰ্ত্তি মাথাত পিঙ্গট বৰ্ণ কেশ।।
ত্ৰি-মেখলাধাৰী চাৰি ভুজ বিতোপন।
শ্ৰুক শ্ৰুৱ আদি চিহ্ন কৰন্ত ধাৰণ।।৩৭৪।।
সিকালত লোকসৱ ধৰ্ম্মিষ্ঠ পৰম।
সৱে ব্ৰহ্মবাদী নাহি মায়াৰ বিক্ৰম।।
বেদোক্ত কৰ্ম্মেসে লোক হৰিৰ পূজয়।
পৰম ঈশ্বৰ তেহে সৰ্ব্ব দেৱ ময়।।৩৭৫।।
যেন যেন নামে ঈশ্বৰক স্তুতি কৰে।
শুনিয়োক নৰপতি কহো নিৰন্তৰে।।
পৃশ্নিগৰ্ভ সৰ্ব্বদেৱময় বিষ্ণু যজ্ঞ।
উৰুক্ৰম উৰুগায় বৃষাকপি সংজ্ঞ।।৩৭৬।।
জয়ন্ত সহিতে এই অষ্ট গুটি নাম।
ত্ৰেতা যুগে লোক সৱে জপে অৱিশ্ৰাম।।
ইহাত ত্ৰেতাৰ লোকে সাধে মহা সিদ্ধি।
দ্বাপৰ যুগৰ আৱে শুনা যেন বিধি।।৩৭৭।।
দ্বাপৰে ঈশ্বৰ মূৰ্ত্তি আতি অনুপাম।
অতসী কুসুম সম সুকুমাৰ শ্যাম।।
শ্ৰীবৎস কৌস্তুভ হেন হাৰ উৰঃস্থলে।
পদ্ম চক্ৰ চিহ্ন জ্বলে চাৰু কৰতলে।।৩৭৮।।
মহাৰাজ বিভূতি সমস্ত অঙ্গে আছে।

দণ্ড ছত্ৰ চামৰ যোগাৱে আগে পাচে।।
প্ৰকাশ কৰয় চাৰি অস্ত্ৰ চাৰিভূজা।
বেদ তন্ত্ৰ মন্ত্ৰে সিকালতো কৰে পূজা।।৩৭৯।।
ঈশ্বৰক জানো বুলি যত মহাজন।
শুনা যেন মতে কৰে শ্ৰৱণ কীৰ্ত্তন।।
নমো বাসুদেৱ নমো নমো সঙ্কৰ্ষণ।
প্ৰদ্যুম্ন পুৰুষ অনিৰুদ্ধ ভগৱান।।৩৮০।।
সৰ্ব্বভূত আত্মা নমো নমো মহাত্মান।
বিশ্ব বিশ্বেশ্বৰ নমো ঋষি নাৰায়ণ।
এহি বাহ্ন নামে দ্বাপৰত পূজা কৰে।
শুনা তন্ত্ৰ বিধিক কলিত আতপৰে।।৩৮১।।
কলিত প্ৰধান জানা কৃষ্ণ অৱতাৰ।
বেদতো অধিক তন্ত্ৰ মন্ত্ৰ হোৱে চাৰ।।
কলিত কৃষ্ণৰ মূৰ্ত্তি দেখন্তো নিৰ্ম্মল।
যেন ইন্দ্ৰনীল ৰত্ন পৰম উজ্জ্বল।।৩৮২।।
কঙ্কনে কেয়ুৰে ৰঞ্জে ভূজচয় সদা।
ধৰি আছা হাতে শঙ্খ চক্ৰ পদ্ম গদা।।
শ্ৰীবৎস কৌস্তুভ শোভে হাৰ হৃদয়ত।
পীতবস্ত্ৰ শোভে যেন বিজুলী মেঘত।।৩৮৩।।
কৰ্ণত প্ৰকাশ কৰে মকৰ কুণ্ডল।
তাৰ ৰশ্মি শোভে গণ্ড বদন মণ্ডল।।
সুনন্দ কুমুদ নন্দ পাৰিষদচয়।
দণ্ড ছত্ৰ চামৰে চৌপাশে উপাসয়।।৩৮৪।।
হেন দিব্য মূৰ্ত্তিক পৰম জ্ঞানীগণে।
সদায়ে অৰ্চ্চন্ত গুণ নামৰ কীৰ্ত্তনে।।
নামেসে পৰম ধৰ্ম্ম জানিবা কলিত।
কলিৰ স্তুতিক কহোঁ সুনা একচিত্ত।।৩৮৫।।
হে মহাপুৰুষ হে প্ৰণতপালক।
সদা বন্দো তোক্ষাৰেসে পদপঙ্কজক।।
সদায়ে চিন্তিবে যোগ্য এহিসে চৰণ।
ভকতৰ কৰে ইসে বাঞ্ছিত পূৰণ।।৩৮৬।।
ভৱ পৰাভৱক এহিসে কৰে ক্ষয়।
পৰম পৱিত্ৰ ইসে তীৰ্থৰো আশ্ৰয়।।
মহা সুখময় ইটো চৰণ দুখানি।
ব্ৰহ্মা হৰে আকেসে সেৱন্ত তত্বজানি।।৩৮৭।।
ভৃত্য মাত্ৰকতে যত পীড়াক গুচাৱে।
সংসাৰ সাগৰ তড়ি ইসে মহানাৱে।।
হে কৃষ্ণ বন্দো হেৰা চৰণ তোক্ষাৰ।
শ্ৰীৰামচন্দ্ৰ ৰূপে ধৰি অৱতাৰ।।৩৮৮।।
পিতৃৰ আদেশে ছাড়ি ৰাজ্য অভিলাস।
পত্নী সীতা সহিতে খপিলা বনবাস।
আনৰ দুস্ত্যজ যিটো দেৱৰ বাঞ্ছনি।
হেন ৰাজ্য লক্ষ্মীক তেজিলা ৰঘুমণি।।৩৮৯।।
সুৱৰ্ণৰ মৃগ দেখি ভাৰ্য্যাৰ বচনে।
গৈলা মায়া হৰিণক খেদি নাৰায়ণে।।
হেনসে ভকতিপ্ৰিয় প্ৰভু পূৰ্ণকাম।
তোক্ষাৰ চৰণে সদা থাকোক প্ৰণাম।।৩৯০।।
যুগ অনুৰূপে ৰূপ নাম অনুসৰি।
আৰাধন্ত মহন্তসকলে মহাহৰি।।
প্ৰৱন্ধেসে সাধে সিদ্ধি যি জন নিপুণ।
শুনিয়ো কলিত আছে যত যত গুণ।।৩৯১।।
কলিৰ গুণক মহাজ্ঞানী যিটো জানে।
চাৰিযুগ মাজত কলিক শ্ৰেষ্ঠ মানে।
কলিত সততে যিটো নাম গুণ গাৱে।
এতেকে সমস্তে সিদ্ধি সিটো জনে পাৱে।।৩৯২।।
সত্য যুগে ধ্যান কৰি যজ্ঞত ত্ৰেতাত।
যেন ফল পাৱে নৰে দ্বাপৰে পূজাত।।
কলিত কীৰ্ত্তন কৰি পাৱে তেনগতি।
ব্ৰহ্মা আদি দেৱো তাঙ্ক নপান্ত সম্প্ৰতি।।৩৯৩।।
যত প্ৰাণী সবে সংসাৰত ভ্ৰমি মৰে।
নাহি মহালাভ তাৰ কীৰ্ত্তনত পৰে।।
কীৰ্ত্তনতে তৰে ইটো দুৰ্ঘোৰ সংসাৰ।
কীৰ্ত্তনতে সাধে সিটো গতি আপুনাৰ।।৩৯৪।।
সত্য ত্ৰেতা দ্বাপৰৰ প্ৰজা বাঞ্ছে নিতে।
কৈসানি আমাৰ জন্ম হৈবেক কলিতে।।
কলিত অনেক হৈব হৰি পৰায়ণ।
তৰিবে সংসাৰ সুখে কৰিয়া কীৰ্ত্তন।।৩৯৫।।
আনো থানে কিছু মাত্ৰ হৈবেক ভকত।
ভজিবে প্ৰচুৰ প্ৰজা দ্ৰাবিড় দেশত।।
কৃষ্ণৰ চৰণে ধৰি সুদৃঢ় বিশ্বাসে।
কৰি কৃষ্ণ কীৰ্ত্তন তৰিব অপ্ৰয়াসে।।৩৯৬।।
তাম্ৰপৰ্ণী কৃতমালা নদী পয়োস্বিনি।
প্ৰতিচী কাবেৰী মহানদী পয়োভিনী।।
যি দেশত থাকে তাৰ ভূঞ্জে যিটো জল।
সমস্তে ভকত হৈবে হৃদয় নিৰ্ম্মল।।৩৯৭।।
দেৱ ঋষি ভূত পিতৃ পোষ্য এসম্বাৰ।
উপজিলে লোকত পাঞ্চৰো লাগে ধাৰ।।
এতেকে কিঙ্কৰ ঋণী ভকতি বিহীন।
পঞ্চ যজ্ঞ কৰিয়া পাঞ্চৰো শুজে ঋণ।।৩৯৮।।
সৰ্ব্বভাৱে মুকুন্দত যি লৈল শৰণ।
নুহি ঋণী কিঙ্কৰ পাঞ্চৰো সিটো জন।।
এড়ি আন কৃত্য চিত্ত দিলেক হৰিত।
ভৈল কৃত্য কৃত্য সিটো এতেকে কলিত।।৩৯৯।।
কহিলো বিহিত কৰ্ম্ম ত্যাগ ভকতৰ।
যদি প্ৰমাদত পাপ কৰে সিটো নৰ।।
তথাপি নলাগে আৰ তাৰ প্ৰায়শ্চিত্ত।
শুনিয়োক নিমি আক কৰি এক চিত্ত।।৪০০।।
এড়িলেক যিটো আন দেৱত ভকতি।
একে মাধৱক মাত্ৰ ভজে দৃঢ় মতি।।
তাহাৰ পাতক যদি সিজে প্ৰমাদত।
নাশ হোৱে সিয়ো ঈশ্বৰৰ প্ৰসাদত।।৪০১।।
হৃদয়ত থাকি হৰি ভকত বৎসল।
দূৰ কৰা ভৃত্যৰ যতেক পাপ মল।।
নকৰিবা ভয় পৰোলকত যমক।
কি কৰিবে যম যাৰ ঈশ্বৰ ৰক্ষক।।৪০২।।
হেনবা বুলিবা ঈশ্বৰৰ আজ্ঞা বেদ।
ইহাক লঙ্ঘিলে ঈশ্বৰৰ হৈবে খেদ।।
আজ্ঞা ভঙ্গ হৈবে হেন এৰা অসন্তোষ।
প্ৰিয়তম জনৰ নধৰে হৰি দোষ।।৪০৩।।
হেনবা বুলিবা পাপ ক্ষয়ৰ নিমিত্তে।
নভজিলে তাৰ পাপ হৰিব কিমতে।।
হৃদয়তে আছা হৰি ভকতৰ গতি।

পাপ সংহাৰক তাৰ স্বভাৱে শকতি।।৪০৪।।
নাথাকে আন্ধাৰ যৈত সূৰ্য্যৰ প্ৰকাশ।
বহ্নিত পড়িলে যেন তৃণ হোৱে নাশ।।
সেহিমতে নচাপয় পাপ সন্নিহিত।
ভৈলা মহাহৰি যাৰ হিয়াত বিদিত।।৪০৫।।
ভকতিৰ হিতকাৰী কলি মহাগুণী।
শুনিলা কলিৰ ধৰ্ম্ম নৃপতি আপুনি।।
যতেক পুছিলা মানে কহিলো একান্ত।
দিলো নৱ ভাই নৱ প্ৰশ্নৰ সিদ্ধান্ত।।৪০৬।।
ধৰা ভাগৱত ধৰ্ম্ম সুদৃঢ় বিশ্বাসে।
তড়িবা সংসাৰ তেৱে অতি অপ্ৰয়াসে।।
ধন জন বিভৱ তিলেকে হৈব ছন্ন।
মায়াময় বিষয়ক তেজিয়ো যতন।।৪০৭।।
অন্তকৰ ভয়ত ব্ৰহ্মাৰো নাই সুখ।
হেন জানি হুয়ো ঝাণ্টে কৃষ্ণক সন্মুখ।।
দেখায়া ৰাজাক বিৰকতি বহুবিধ।
হৰি স্মৰি তথাতে থাকিলা নৱসিদ্ধ।।৪০৮।।
নমো নমো মোৰ হৃদীশ্বৰ কৃষ্ণদেৱ।
দণ্ডৱতে পৰি কোটি কোটি কৰো সেৱ।।
তোহ্মাৰ পাৱত প্ৰভু পশিয়া শৰণে।
এতেক প্ৰাৰ্থনা কৰো তোহ্মাৰ চৰণে।।৪০৯।।
যৈতে তৈতে হোক জন্ম মোৰ কৰ্ম্মগতি।
তোহ্মাৰ চৰণে মাত্ৰ নছাড়োক মতি।।
ভূত দায়া ধৰ্ম্মে মোক নেড়োক মাধৱ।
তোহ্মাৰ ভৃত্যসে মোৰ পৰম বান্ধৱ।।৪১০।।
পুত্ৰ দাৰা বিষয়ত হৌক স্নেহ ছেদ।
নুহি যেন সদায়ে তোহ্মাত বুদ্ধি ভেদ।।
পূৰ্ব্বৰ স্বভাৱ মোৰ কৰিও উচ্ছাদ।
তোহ্মাৰ চৰণে মাগো এতেক প্ৰসাদ।।৪১১।।
পাৱে পৰি কৰো মঞি কাকূতি প্ৰকটে।
নছাড়িবা নাথ মোক মৰণ শঙ্কটে।।
নাজানো ভকতি ৰতি প্ৰণতি তোহ্মাৰ।
অধমক মোক প্ৰভু কৰিয়ো উদ্ধাৰ।।৪১২।।
তুমি মহা কৃপাময় জগতে বিদিত।
মই মহাপামৰ পশুতো গৰিহিত।।
জানি যেন যুৱাই কৰা বান্ধৱ মাধৱ।
বোলা ৰাম ৰাম চাড়া পাপ পৰাভৱ।।৪১৩।।

**।।দুলড়ী।।**

নাৰদ বদতি বসুদেৱ শুনা
সিদ্ধ সৱে যেন কৈলা।
ভাগৱত ধৰ্ম্ম শুনি নিমি ৰায়
আতি কৃতকৃত্য ভৈলা।।
গুৰু পুৰোহিত সহিতে উঠিয়া
অৰ্চ্চিলা নৱসিদ্ধক।
ভৈলা অন্তৰ্দ্ধান নৱসিদ্ধ তৈতে
সুমৰি মনে কৃষ্ণক।।৪১৪।।
ভাগৱত ধৰ্ম্ম নিমিয়ো আচৰি
সুদৃঢ় কৰিয়া মতি।
কৃষ্ণৰ চৰণ কৰিয়া স্মৰণ
পাইলন্ত পৰম গতি।।
আৱে বসুদেৱ শুনিলাহা যেন
ভাগৱত ধৰ্ম্মচয়।
শ্ৰদ্ধায়ে আচৰি তুমিও লভিবা
পৰম গতি নিশ্চয়।।৪১৫।।
সুধিলা নিমিত্তে কহিলো তোহ্মাতে
নালাগে এতেকে শ্ৰম।
তোমাথেৰ ভাগ্য কি কহিবো যাৰ
ঘৰত পৰম ব্ৰহ্ম।।
তোৰা দুইৰো যশে জগত জুৰিলে
তোহ্মাৰ চিন্তা কিসক।
আৰো সোধা কথা পুত্ৰ পায়া আছা
ঈশ্বৰ মহা হৰিক।।৪১৬।।
ভাগৱত ধৰ্ম্মে মন শুদ্ধ কৰে
জানিবা আনো প্ৰাণীৰ।
পুত্ৰৰ স্নেহত কৰিলা পৱিত্ৰ
তোহ্মাৰ মন শৰীৰ।।
পৰম ভকত আমি মহামুনি
নপাইলো যিটো প্ৰসাদ।
তোৰা দুই পায়া সিটো প্ৰসাদক
তোহ্মাৰ আৰো বিষাদ।।৪১৭।।
যাহাৰ চৰণ ৰেণুকো নপান্ত
আৰাধিয়া ব্ৰহ্মা হৰে।।
হেন জগতৰ প্ৰভু পুত্ৰ হুয়া
আছন্ত তোহ্মাৰ ঘৰে।।
সিটো ঈশ্বৰক সাক্ষাতে দেখাহা
সাৱটি কতো স্নেহত।
শয়ন ভোজন একে লগে কৰা
থাকা একে আসনত।।৪১৮।।
কতো পুত্ৰ বুলি ধৰি শিৰ শুঙি
আনন্দতে থাকা চাই।
দ্ৰৱ হোৱে মন জুড়ায় নয়ন
হোৱে পুলকিত কায়।।
জগত ঈশ্বৰো পিতৃ মাতৃ বুলি
কৰন্ত আতি আলাপ।
জন্ম নাহি আৰ তড়িলা সংসাৰ
ভৈলাহা মহা নিষ্পাপ।।৪১৯।।
শিশুপাল শাল্ব পৌণ্ড্ৰক পুতনা
কেশী কংস দৈত্যচয়।
মহা বৈৰভাৱে চিন্তন্তে চিন্তন্তে
দেখে মনে কৃষ্ণময়।।
দম্ভ অহঙ্কাৰ কৰিয়া মৰিয়া
পাইলেক পৰম গতি।
যিটো স্নেহভাৱে ভজে কেশৱক
কি কৈবো তাক সম্প্ৰতি।।৪২০।।
জানিবাহা কৃষ্ণ পৰম ঈশ্বৰ
এন্তে সনাতন হৰি।
মায়ায়ে মনুষ্য স্বভাৱ দেখান্ত
ঐশ্বৰ্য্যক ছন্ন কৰি।।
তাহান চৰণে সেৱাতে সমস্তে
সাধে সৱে মহা সিদ্ধি।
কহিলো কৃষ্ণত দুনাই দুয়ো প্ৰাণী

নকৰিবা পুত্ৰ বুদ্ধি।।৪২১।।
যত মহা দৈত্য ৰাজা হুয়া ঐত
পৃথিৱীৰ ভৈল ভাৰ।
তাহাক বধিতে ভৈলাহা আপুনি
দেৱকিত অৱতাৰ।।
নিজ গুণ যশে জগত জুড়ায়
আসি বৈকুণ্ঠৰ হন্তে।
ইহাৰ শ্ৰৱণ কীৰ্ত্তন কৰিয়া
তৰিবে সুখে মহন্তে।।৪২২।।
এতেক বুলিয়া নাৰদ লড়িলা
হাতে দিব্য যন্ত্ৰ বায়া।
হৃদয়ত কৃষ্ণ ৰূপ ধৰি সুখে
মুখে হৰি গুণ গায়া।।
শুনি বসুদেৱ দেৱকি বিস্ময়
এড়িলা মোহ মনত।
পুত্ৰ বুদ্ধি গুচি ভৈলেক কৃষ্ণত
ঈশ্বৰ জ্ঞান বেকত।।৪২৩।।
শুক নিগদতি নৃপতি শুনিলা
পুণ্যকথা ইতিহাস।
শ্ৰৱণ কীৰ্ত্তন কৰে যিটো আক
কৰিয়া দৃঢ় বিশ্বাস।।
এহি জনমতে তেজি মায়া মোহ
হোৱয় ব্ৰহ্ম আপুনি।।
পৰম আশ্চৰ্য্য ভৈলা পৰীক্ষিত
সিদ্ধৰ সম্বাদ শুনি।।৪২৪।।
শুনা সভাসদ ভাগৱত পদ
নিশৱদ হুয়া ৰহি।
নিমি নৱসিদ্ধ সংবাদ এন্টাইলা
শুক মহামুনি কহি।।
ইটো ভাগৱত সাত দিনে শুনি
পৰীক্ষিতে পাইলা সিদ্ধি।
হেন জানি যন্তে শুনিয়ো মহন্তে
ইসি ভকতৰ নিধি।।৪২৫।।
নমো নমো কৃষ্ণ পদ-পঙ্কজক
পাৱে পৰি প্ৰণিপাতে।
মুঢ় হুয়া প্ৰভু কৰিলো পয়াৰ
চাড়িবা দোষ ইহাতে।।
হৃদয়ে থাকিয়া যি মোক শিখাইলা
তাকেসে কহিলো মুখে।
যেন টাটকীয়া দাৰু পুতলাক
নচাৱে আপোন সুখে।।৪২৬।।
হে সদাশিৱ আমি যত জীৱ
তোস্কাৰ ইচ্ছায়ে ভ্ৰমো।
জানিলো সম্প্ৰতি তুমি মোৰ গতি
হেৰা পাৱে পৰি নমো।।
তোস্কাক নভজি বিষয়ত মজি
সংসাৰ তাপত মৰো।
কৰা মোক দায়া দূৰ হোক মায়া
হেনবা প্ৰভু উদ্ধৰো।।৪২৭।।
তুমিসি মাধৱ মহা প্ৰিয়তম
প্ৰাণতো মোৰ অধিক।
মঞ্চি আখি থাইলো যেন হেৰুৱাইলো
কাঁচক চাইতে মাণিক।।
দেৱৰ দুৰ্ল্লভ লভি নৰতনু
নকৈলো সেৱা তোস্কাৰ।
কিনো মই ছাৰ আমি আপুনাৰ
আপুনি চিন্তিলো মাৰ।।৪২৮।।
মোহোৰ সমান নাহিকে পামৰ
পৰম দাৰুণ চিত্ত।
তোস্কাৰ সমান নাহি কৃপাময়
জানি কৰা যথোচিত।।
তোস্কাৰ চৰণে গৈলোহো বিক্ৰয়
নছাড়িবা মোক জানি।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
বোলা ৰাম-ৰাম বাণী।।৪২৯।।

জয় গুৰু শঙ্কৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

পাঠান্তৰঃ-
পদ। ২খ। পা. প্ৰভু ভগৱন্ত কল্পতৰু।।
পদ। ৬গ-ঘ। পা. ভৈলা অৱতাৰ মোক্ষ লভিলা সাক্ষাত। তথাপি উৎসুক মিলৈ কৃষ্ণৰ সেৱাত।
পদ।৮গ। যথা যায় তথাত মৃত্যুৰ নেড়াই হাত।
পদ। ৯ ক-খ কোনো কোনো পুথিত এই দুই চৰণ পোৱা নেযায়।
পদ। ৯ ঘ। পা. তাঙ্ক পূজিলা সাদৰে = পদোদক শিৰে লৈলা।
পদ।১০ গ-ঘ। পা. পিতৃ আগমনতে পুত্ৰৰ হোৱৈ সিদ্ধি। ভকতক পাইলে দুখী যেন পাৱে নিধি।।
*নিমি-নৱসিদ্ধি সংবাদ শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ একাদশ স্কন্ধৰ দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম অধ্যায়ৰ শ্ৰীমন্ত শঙ্কৰদেৱে কৰা অনুবাদ। কিন্তু গুৰুজনাৰ অনূদিত একাদশ স্কন্ধৰ ভিতৰুৱাকৈ নেৰাখি এইভাগ স্বতন্ত্ৰ পুথি হিচাপেহে প্ৰতিষ্ঠিত। ইয়াত মহাভাগৱতৰ একাদশ স্কন্ধৰ ভিতৰুৱাকৈ নাৰাখি স্বতন্ত্ৰ হিচাপে ভক্তি-তত্ব কাব্যৰ খণ্ডৰ অন্তৰ্ভুক্ত কৰা হল।
পদ ১১ গ-ঘ। কোনো কোনো পুথিত পোৱা নেযায়।
পদ ১২ ঘ আৰু ১৩ ক-খ। কোনে কোনো পুথিত পোৱা নেযায়।
পদ ১৯ ক-খ। কোনো কোনো পুথিত এই দুই শাৰীৰ ঠাইত নিম্নোক্ত দুইশাৰীহে পোৱা যায়ঃ
সৱাকো তেখনে কৰে পৰম পৱিত্ৰ। দেখা কেন ধৰ্ম্ম ইটো পৰম পৱিত্ৰ।।
পদ ১৬-২২লৈ পদৰ পৰিৱৰ্তে কোনো কোনে পুথিত নিম্নোক্ত দুই শাৰীহে পদ কেইফাকি পোৱা যায়।
জগত পৱিত্ৰ কৰে যাহাক স্মৰণে।
সুনৈ বা ভনৈ বা জিবা জনে মনে স্মৰে।
সৱাকো তেখনে কৰে পৰম পৱিত্ৰ।
জগতৰে যিটো দেৱ দ্বিজ আছে মাৰি।
কীৰ্ত্তনে তেখনে তাকো কৰে নৰোত্তম।
পুছিলা আপুনি বেদান্তৰো জিতো সাৰ।
সুমৰাইলা আজি মোক পৰম হৰিক।
শুনা পুৰাতন কথা কৰো আশীৰ্বাদ।
পৰম পৱিত্ৰকাৰী নাহি আত পৰে।
চায়াম্ভূৱ (চায়াম্ভুৱ) পুত্ৰ পূৱব্ৰত মহাসয়।
অগ্নিদ্ধৰ পুত্ৰ নাভি নামে ভৈলা জাত।
নামত ঋষভ তামে ভৈলা অৱতাৰ।
তান্তে হন্তে ভৈলা পাছে পুত্ৰ একশত।
কহো তাক বসুদেৱ সুনা ৰঙ্গমনে।।১৬।।
আনে বা গাৱন্তে জিতো অভিনন্দা কৰে।।
দেখা কেন ধৰ্ম ইটো কৃষ্ণৰ চৰিত্ৰ।।
তাতপৰে নাই মহাপাপী অহঙ্কাৰী।।
দেখা ভাগৱত-ধৰ্ম কিনো সুখতম।।১৮।।
আস্মাক কৰিলা কেনে মহাউপকাৰ।।
ইহাতেসে মনেমিলে আনন্দ অধিক।।১৯।।
নিমি মৱসিদ্ধ যেন মিলিলা সম্বাস।।
শ্ৰৱণতে মহাসুখ মোক্ষ পাৱে নৰে।।২০।।
আছিলা অগ্নিদ্ধ নামে তাহানে তনয়।।
বাসুদেৱ অংশে আসি আন্তে ভৈলা জাত।।২১।।
কৰিলা লোকত মোক্ষ-ধৰ্ম্মক প্ৰচাৰ।।
শ্ৰেষ্ঠ বৈল ভৰত পৰম ভাগৱত।।২২।।
পদ ২৭। পা. কবি হবি অন্তৰীক পিপ্পলায়ন।
আবিৰহোত্ৰ নামে আৰো ঋষভ নন্দন।।
প্ৰবুদ্ধ দ্ৰবিড় কৰভাজন চমস। এহি নৱজনে সদা নেৰে হৰিৰস।।
নকৰে জীৱন আপুনাত ব্যতিৰেক। দেখে নাৰায়ণময় জগত যতেক।।
পদ ২৮-৩০ কলৈ চৰণকেইটি কোনো কোনো পুথিত পোৱা অথবা পাঠত বিসঙ্গতি পৰিলক্ষিত হয়।
পদ ৩০ গ।পা. সেহি সময়তে নিমি ইককষ্কাকু তনয়।
পদ ৩১ গ-ঘ।কোনো কোনো পুথিত পোনা নাযায়।
পদ ৩৪ পা. কৃতাঞ্জলি –পুষ্টাঞ্জলি
পদ ৩৫-৩৬ ক-খ। কোনো কোনো পুথিত পোৱা নাযায়।
পদ ৩৯-৪১ লৈ চৰণবোৰৰ ক্ৰম আলোচ্য সাঁচিপতীয়া পুথিত ওলট-পালট হৈ অমিল হৈছে।
পদ ৪৫ খ। কৃষ্ণপদ সেৱা জানা আত্যান্তিক সুখ।।
পদ ৪৮ গ-ঘ আলোচ্য সাঁচিপতীয়া পুথিত পোৱা নাযায়। তাৰ সলনিঃ
নাহি তপ জপ জ্ঞান অভ্যাস বৈৰাগ্য। তথাপি সমস্ত ধৰম্মে নেড়ে তাৰ লাগ।।
যতেক পাতক হৰৈ তাৰ নাহি সীমা। কি কহিবো ভাগৱত ধৰ্ম্মৰ মহিমা।।
নাহিকে প্ৰয়াস সুখে সিজে প্ৰয়োজন। কহিলোহো ভাগৱত ধৰ্ম্মৰ লক্ষণ।।
পদ ৬১ ক-খ। কোনো কোনো পুথিত পোৱা নাযায়।
পদ ৭৪ গ। দেহ পুষ্ট = ভড়ে পেট। পদ ৭৭গ। কহে ইহাক সম্প্ৰতি = মন্ত্ৰে তাহাৰ সন্মতি।
পদ ৭৯ গ। হৰিক মনত স্মৰি= কৃষ্ণক মনত স্মৰি। পদ ৮১ গ) ত্যজ্জক=দুখিতক।
পদ ৮০ৰ পাছত নিম্নোক্ত দুইশাৰী পোৱা যায়-
সৱাতো ঈশ্বৰ আছা জানিয়া মনত। মহন্তত কৰে প্ৰীতি মৈত্ৰ সমানত।।
পদ ৮৪ ঘ। পা. যদি ভোগ্য কৰে মনে দেখা মায়াময়।।
পদ ৮৬ গ। পা. ইসৱক মোৰ বুলি নমানে মনত।।
পদ ৮৭ খ। পা. বিষয় বাসনা তাৰ মনে নলৱয়।।
পদ ৯৭। পা. যেন ভৈলা আসি পূৰ্ণ চন্দ্ৰমা উদয়। আদিত্য প্ৰতাপ আপুনি দূৰ হয়।
চন্দ্ৰৰ দীপিতি সান্ত কৰে কলেৱৰ।কহিলো স্বভাৱ যেন মহা ভকতৰ।।

পদ ১৩৪ ক-খ। পা. ধনক দেখিব হেন এহি মৃত্যু মোৰ। ইহাৰ নিমিত্তে নিতে পাঞোঁ দুখ ঘোৰ।।
পদ ১৩৫ ক-খ। কোনো কোনো পুথিত নাই। গ-ঘ।পা. স্বৰ্গলোক বিনাশী নাহিকে তাতো সুখ। শুনিও স্বৰ্গ আছে যত যত দুখ।।
পদ ১৩৬ ক-খ। অধিক শ্ৰীমন্ত যিটো কৰে নিন্দাবাদ। সামান্য সহিতে তৈতো নখণ্ডে বিবাদ।।
পদ ১৪১ ক-খ।পা. যিটো ধৰ্ম্মে মহাতুষ্ট হুয়া অতিশয়। আপুনাক দেন্ত ভকতক কৃপাময়।।
পদ ১৪৭ ক-খ।পা. ভাগৱত শাস্ত্ৰক কৰিবে অভিনন্দা। আনো শাস্ত্ৰ সৱক নকৰিবে নিন্দা।।
পদ ১৪৮ গ-ঘ আৰু ১৪৯ ক-খ। কোনো কোনো পুথিত পোৱা নাযায়।
পদ ১৫৩ ঘ।পা. যাহাৰ কৃপাত পাই মুকুতি সাযুজ্য।
পদ ১৬২ গ। ফান্দ = বন্ধ।
পদ ১৬৩ ক-খ-গ।পা. যাৰ নাম শুনি/ভয়তে আপুনি মৃত্যু এড়ি হোৱে দূৰ।
জিটো নাৰায়ণ/কৰন্তে স্মৰন্তে/পাপ পৰক্ষতক দূৰ।।
হেন মহাহৰি/তাহাঙ্ক সাদৰি/স্মৰয়ে স্মৰাৰে আতি।
পদ ১৮৬ খ-ৰ পাছত আছে -
চাৰিৱেদ যাত হন্তে আছে জাত/তথাপি নপাৰে তাঙ্ক কৰিবে সাক্ষাত।
প্ৰকাৰেশে কহে ৱেদে মায়াক নিষোধি/ব্ৰহ্ম বিনে জানিবা মায়াৰ নাহি সিদ্ধী।।
পদ ২০৪-ৰ পাছত কোনো কোনো সাঁচিপতীয়া পুথিত আছে -
হোৱন্ত ঈশ্বৰ তেৱে হিয়াত সাক্ষাত। কহিলো সমস্ত যেন জানিলো তোহ্মাৰ।।
পদ ২০৯ খ।পা. বেদে নিসোধিলে জাক সেহিতো অকৰ্ম্ম।।
পদ ২১০ খ-গ।পা. নাহিকে লৌকিক ইতো বেদে কহে জাক।
উপজিল ঈশ্বৰত ইতো বেদ বাক।।
পদ ২১২ গ-ঘ।পা. এতেকে নকৈলা চাৰি ব্ৰহ্মাৰ নন্দন। দুতিয় প্ৰশ্নৰ ৰাজা কহিলো কাৰণ।।
পদ ২১৭ গ। পা. মৰিও মৰিব দুনাই হুয়া হুয়া উতপতি।
পদ ২২৫ খ। পা. প্ৰতিমাতে মনতে বা পূজিবেক হৰি।
পদ ২৩০। কোনো কোনে পুথিত পোৱা নাযায়।
পদ ২৪৪ খ। পা. যিটো বুদ্ধি সখিয় ভিতৰতে থাপি/চলান্ত ইন্দ্ৰিয় বৰ্গ।।
২৪৮ খ।পা. কৰিয়ো সত্বৰে/নৰনাৰায়ণ/ঋষিৰ তপস্যা ভঙ্গ।।
পদ ২৫০ গ।পা. অপেশ্বৰী সৱে/ঋষিক নিৰেখি/কটাক্ষে কৰে সন্ধান।।
পদ ২৫১ গ।পা. পৰম সভয় মন/ভৈলা দেখি দেৱগণ/হিয়াত মিলিলা মহা ত্ৰাস।।
পদ ২৫৬ গ। হেনসে নাহিকে বোধ/গোখোজ সমানে ক্ৰোধ/তাতে পুনৰ্বাপি মজে পাছে।।
পদ ২৫৭ খ।পা. সেহিমতে দান ব্ৰত/জন্মাবধি কৰে যত/ক্ৰোধ কৰে সৱাকো নিৰ্মাণ।।
পদ ২৭৪ ক-খ। কোনো কোনো পুথিত নাই।
পদ ২৯০ গ। পা. থুলন্তৰ কলেৱৰ জেন জম্বুদ্বীপ।।
পদ ২৯৪ গ-ঘ আৰু ২৯৯। এই ছয়শাৰী কোনো কোনো পুথিত পোৱা নাযায়।
পদ ২৯৬ ক-খ। পা. নপাই পাৰ ঋষিসৱ হুয়া শ্ৰুতিহত।ত্ৰাহি হৰি বুলি মাত্ৰ স্মৰন্ত মনত।।
পদ ২৯৭। পা. বৃত্ৰ বদ্ধ(ধ) ভৈল ইন্দ্ৰক সন্তাপ/হৈল হত সৃ(শ্ৰী)ৰ মহা ব্ৰহ্মবধ পাপ।।
কৃষ্ণত শৰণ লৈ ভুঞ্জন্তে নিৰাৰ।/কৰিলন্ত তাকো হৰি আপদে উদ্ধাৰ।।
পদ ২৯৮-৩০৩ ক-খ। কোনো কোনো পুথিত পোৱা নাযায়।
পদ ৩১২ ক-খ। পা. চাণুৰ অৰিষ্ট অঘবক কেসি কংস। সমস্তকে মাৰি হৰি কৰিব নিৰব্বংশ।।
পদ ৩১৪ ক-খ। কোনো কোনো পুথিত নাই।
পদ ৩২১ খ। পা. তাসম্বাৰ পুত্ৰ নাতি হৈবেক অপাৰ।
পদ ৩৩২।পা. কৃষ্ণৰ মুখৰ পৰা/প্ৰতমে ব্ৰাহ্মণ ভৈলা/বাহুত ক্ষত্ৰিয় ভৈলা জাত/ উৰুত জন্মিল বৈশ্য/চৰণ পদ্মত শূদ্ৰ/জানা যেন কৃষ্ণক সাক্ষাত।।
হেনতো নমৰে যিটো /জানি নিজ পিতৃ বুলি/নভজে কৃষ্ণক চিত্ত দিয়া।
যিটো মহা মন্দ মতি/জানা যাইবে অধোগতি/ভ্ৰষ্ট হোৱৈ তাৰ কুল ক্ৰিয়া।।
পদ ৩৩৭ৰ পৰা ছৱি ছন্দৰ শেষলৈ পদৰ পৰক্ষবোৰৰ বিভিন্ন পুথিত ওলট-পালট হৈছে। তদুপৰি শব্দ চয়ত ভিন্নতা লক্ষ্য কৰা যায়।
পদ ৩৯৩ গ-ঘ।পা. কিলত কেৱল মাত্ৰ নাম যিটো গাৱে। এতেকে সমস্তে ফল সিটো জনে পাৱে।।
পদ ৪১২ ঘ।পা. মই অনাথক বন্ধু কৰিৰো উদ্ধাৰ।।

**সমাপ্ত**